চান্দমামা

অগাস্ট ১৯৯০



I HAVE 14 BEST FRIENDS TO HELP ME TOP MY CLASS





Apsara Drawing Pencils come in 14 grades and help me in so... so many subjects. My classmates also include Apsara Poster Colours, Water Colour Tubes, Oil Pastels and Wax Crayons. All, toppers.

Apsara®
DRAWING PENCILS

For information, write to:
Hindustan Pencils Limited,
510, Himalaya House, Bombay-400 001.

যিকোনো দোকানতে একেই ৰাহিকাৰক দামত পোৱা যায়।
Gx.223.90 Asm R

চান্দমামা

*

অগাস্ট ১৯৯০

এই * আছে

সংখ্যাত

*

ধঁপতুৰাৰ ধাৰাপাত		৭	‘কামৰূপা কামদা’	:	৩৪
নেপাল দেশত গণতন্ত্ৰ	:	৯	শ্ৰীৰামকৃষ্ণ পৰমহংস	:	৩৭
মান দিলে মান	:	১১	হত্যাকাৰী কোন	:	৪১
তেলেই তৰণী	:	১৪	বীৰ হনুমান	:	৪৫
দস্যু যুৱৰাজ	:	১৭	কামিলা	:	৫৩
পলত পৰা কাছ	:	২৫	সুখৰ যাতনা	:	৫৫
পৰৰ মাটিত বাটঘৰা	:	৩২	বিচাৰ বুদ্ধি	:	৫৯
জ্ঞান-ভাণ্ডাৰ	:	৩৩	প্ৰকৃতিৰ বিস্ময়	:	৬৩

*

চান্দমামা

খনে : ৩০·০০ বছৰেকীয়া বৰঙণি ৩৬·০০টকা মাথোন

‘চান্দমামা’ৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ

নতুন ঠিকনা ৬৫ পৃষ্ঠাত চাওক

WANTED

Teddy and his cronies Wobbit, Bow Wow, Papa Hare and Jumbo are on the loose in this city. They've already broken into several homes. Don't be misled by their soft and cuddly looks. They're trained to take on the toughest torture test ever — childhandling. It's also rumoured that they cast a magical spell over kids that can't be reversed. So... watch out. You may be the charmers' next target.

CUDDLES

Stuffed toys

CHANDAMAMA TOYTRONIX

In collaboration with Sammo Corporation, S.Korea

Because making toys is no child's play

Chandamama Toytronix Private Limited, Chandamama Buildings, 188, NSK Salai, Vadapalani, Madras - 600 026.

Mudra:M:CTPL:4089

RAMBO IV
No more evil, injustice and crime will be tolerated in this city. The relentless crusader is here. With his famed Zap Gun (the three sound gizmo that's the terror of the underworld) and his fleet of rough 'n tough ready-for-action vehicles — Wrecker, Super Dumper and Fire Engine. And of course, his missile-firing Helicopter. So...breathe easy. The one man army is here.
SAMMO
Mechanical and electronic toys
CHANDAMAMA TOYTRONIX
In collaboration with Sammo Corporation, S.Korea
Chandamama Toytronix Private Limited, Chandamama Buildings, 188, NSK Salai, Vadapalani, Madras 600 026
Mudra:M CTPL:4093

চান্দমামা

সংস্থাপক : চ ক্র পা ণি   সঞ্চালক : বি নাগিৰেড্ডি

ধঁপতুৰাৰ ধাৰাপাত

ধোঁৱা সাধাৰণতে উৰি যায়। কিন্তু ধঁপতুৰাৰ ধোঁৱা খোৱাৰ ধোঁৱাৰ এভাগ হাওঁফাওঁলৈকো গতি কৰে। আৰু তাৰ ফলত জীৱনৰ চাউল কিছু দ্রুতগতিৰে টুটে। ছিগাৰেট হুপিলে প্ৰথমৰ-ফালে কিবা এটা ডাঙৰ কাম কৰা যেনেই লাগে, আনন্দও নোহোৱা নহয় ; কিন্তু পাছত এই আনন্দয়েই নিৰানন্দতাক কঢ়িয়াই আনে। ধোঁৱা খোৱাৰ ফলত হাওঁফাওঁ আৰু গলৰ বেমাৰৰ সৃষ্টি হয়।

কিছুমানে—আজিৰ সংঘাত-সংঘৰ্ষপূৰ্ণ দ্রুতগতিময় জীৱনত ধোঁৱা-খোৱাক এক অতি প্ৰয়োজনীয় কথা বুলি ভাবে। কিন্তু এই কথাত কোনো যুক্তি নাই। আমেৰিকাত জীৱনৰ গতি অতি দ্রুত। কিন্তু তাত ধোঁৱা-খোৰাৰ অভ্যাস ক্ৰমাত হ্রাস হৈ আহিছে, যদিও ধঁপাতৰ সৰ্বাধিক উৎপাদক আমেৰিকাতেই।

হস্পিটালত, বিদ্যালয়ত, শীতাতপ-নিয়ন্ত্রিত ৰেলৰ ডবাত আৰু আৰু উৰা জাহাজতো আমাৰ কেন্দ্ৰীয় চৰকাৰে ধোঁৱাখোৱা আইনতঃ নিষিদ্ধ কৰিছে। এই পদক্ষেপ অতি প্ৰশংসনীয়। এই প্ৰচেষ্টাক সফল কৰিবলৈ প্ৰত্যেকেই চেষ্টা কৰা উচিত। বিশেষকৈ শিক্ষক আৰু ছাত্ৰসকলে আনক পথ-প্ৰদৰ্শন কৰিব পাৰে।

বছৰ : ১৫   অগাস্ট ১৯৯০   সংখ্যা : ৫

থনে : ৩·০০ টকা   : :   বছৰেকীয়া বৰঙণি : ৩৬·০০ টকা

A CHANDAMAMA PUBLICATION

SANKAR

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা



তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক :
অসমীয়া, হিন্দী· গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্,
মৰাঠি, ওড়িয়া সস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে ৮১·০০ ● উৰাজাহাজ-যোগে ১৫৬·০০

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা, পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে ৮৭·০০ ● উৰাজাহাজ-যোগে ১৫৬·০০

আপোনাৰ বৰঙণি কেৱল ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক :
ছাৰ্কুলেশ্যন মেনেজাৰ **চান্দমামা পাবলিকেশ্যনছ** চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

নেপালদেশত গণতন্ত্ৰ!

হিমালয় পৰ্বতৰ দক্ষিণ ভাগত নেপালদেশ বিস্তৃত। আমাৰ ভাৰত উত্তৰসীমাত থকা নেপালৰ পশ্চিম দিশত সতৰঞ্জ নৈ প্ৰবাহিত। এই দেশৰ পূবে সিকিম ৰাজ্য। ডেৰ কোটি মানুহৰ দেশ নেপালৰ ৰাজধানী হ'ল কাঠমাণ্ডু।

নেপালত হিন্দু ধৰ্মাৱলম্বীয়েই হ'ল সৰ্বাধিক, বৌদ্ধ মানুহো যথেষ্ট আছে। চীনদেশ নেপালৰ প্ৰতিবেশী। কিন্তু ভাৰতৰ সৈতে নেপালৰ সম্পৰ্ক নিকটতম তথা মধুৰ। এই সম্পৰ্ক সুপ্ৰাচীন। সম্ৰাট অশোক আৰু সমুদ্ৰগুপ্তৰ শাসন-কালত নেপাল আছিল তেওঁলোকৰ ৰাজ্যৰ অংশ।

১৮৪৬ চনৰপৰা ১৯৫১ চনলৈকে নেপালত 'ৰাণা'সকলৰ শাসন নাছিল। বংশানুক্ৰমে চলি অহা 'চৰ্দাৰ'হঁতেইহে ৰাণাসকলৰ নামত শাসনকাৰ্য্য চলাইছিল।

১৯৫১ চনত ৰাণাসকলৰ নিজৰ মাজত বিৰোধৰ ফলত এক প্ৰজা-আন্দোলনৰ সূত্ৰপাত হ'ল। তেতিয়া দেশৰ শাসনভাৰ চৰ্দাৰহঁতৰ হাতৰপৰা পুনৰ ৰাণাসকলৰ হাতলৈ আহিল। তথাপি প্ৰজাবৰ্গই প্ৰজাতন্ত্ৰ তথা গণতন্ত্ৰৰ বাবে আন্দোলন চলাই থাকিল। তেওঁলোকে কেতিয়াবা কেতিয়াবা নিৰ্বাচনৰ যোগেদি মন্ত্ৰী নিৰ্বাচিত কৰিছিল; কিন্তু সেই ব্যৱস্থা দীৰ্ঘকাললৈকে তিষ্ঠি থকা নাছিল আৰু শেষতম সিদ্ধান্ত ৰাণাসকলেইহে লৈছিল।

১৯৬১ চনত ৰজা মহেন্দ্ৰই নেপালত দলবিহীন সংসদ 'ৰাষ্ট্ৰীয় পঞ্চায়ত' পদ্ধতিৰ প্ৰচলন কৰাৰ প্ৰচেষ্টা কৰিছিল। কিন্তু এই বিষয়ে তেওঁ জনমত সংগঠিত কৰিব পৰা নাছিল। এই প্ৰচেষ্টাৰে প্ৰজাবৰ্গৰ কোনো সমস্যাৰ সমাধান নহৈছিল। এই কাৰণে নেপালৰ জনগণে একাধিকবাৰ



'দলবিহীন ৰাষ্ট্ৰীয় পঞ্চায়তৰ বিৰুদ্ধেও যথেষ্ট আন্দোলন কৰিবলগীয়া হৈছে। নেপালৰজনগণে সাধাৰণ নিৰ্বাচন আৰু দলীয় পদ্ধতিৰ বাবে দাবী জনাইছে।

১৯৭২ চনত ৰজা মহেন্দ্ৰ লোকান্তৰিত হ'ল। তেওঁৰ পুত্ৰ বীৰেন্দ্ৰ ৰজা হ'ল। ৰজা বীৰেন্দ্ৰই জনগণৰ ইচ্ছানুযায়ী প্ৰজাতন্ত্ৰ অৰ্থাৎ গণতন্ত্ৰলৈ সন্মতি জনালে আৰু গণতন্ত্ৰ ৰূপায়ণৰ বাবে প্ৰচেষ্টা চলালে। এইদৰে, নেপালৰ ৰজাও বৃটেইনৰ (বা ৰাণীৰ) দৰে নামমাত্ৰ ৰজা হৈ থাকিল।

শেহান্তৰত—নেপালৰ জনগণৰ ইচ্ছা ফলৱতী হ'ল। এতিয়া — তেওঁলোকৰ নেতৃবৰ্গই তেওঁলোকক কোন বাটেৰে আগ বঢ়াই লৈ যাব—সেয়ে হ'ল লক্ষ্যনীয়।

মান দিলে মান

লখিমপুৰৰ গাঁৱৰ ন্যায়াধীশ আছিল ধৰ্মবীৰ। ধৰ্মবীৰ আছিল অতি বুদ্ধিমান আৰু ন্যায়-শাস্ত্ৰতো সুপণ্ডিত। দেশৰ ৰজাই যোগ্যজনক ন্যায়াধীশ ৰূপে নিযুক্ত কৰাৰ কথা ভাবি বিভিন্নভাবে বাছি-বিচাৰি ধৰ্মবীৰক নিযুক্ত কৰিছিল। গাঁৱৰ যিকোনো কজিয়া-কন্দল দ্বন্দ্ব-ৰিয়াল বা মাটি-বাৰী সম্পৰ্কিত যেইকোনো জটিল বিচাৰো আছিল ধৰ্মবীৰৰ বাঁওহাতৰ কেঞা আঙুলিৰ খেল।

ন্যায়াধীশ হিচাপে ধৰ্মবীৰৰ এই যোগ্যতাৰ কথা সেই গাঁও বা অঞ্চল অতিক্ৰমি গৈ গৈ ধৰ্মবীৰৰ এ:ন যোগ্যতাৰ কথা শুনি মহাৰাজে ভালেই পালে আৰু তেওঁ সেই অঞ্চলৰ ৰাইজৰ ন্যায়বিচাৰ প্ৰাপ্তিৰ কথাত নিঃচিন্ত বোধ কৰিলে। মহা-ৰাজৰ কাণতো বাৰুকৈয়েই পৰিছিলগৈ।

বহুদিনৰ অন্তত এদিন মহাৰাজে ভাবিলে ঃ ইমান যোগ্য ন্যায়ধীশ ধৰ্মবীৰক ৰাজহুৰাকৈ আদৰণি তথা সন্মান জ্ঞাপন কৰিব লাগিব। ৰজাই ভবামাত্ৰেই ধৰ্ম-ধৰ্মবীৰক মতাই পঠালে।

কিন্তু এনেবোৰ মান-সন্মানলৈ ধৰ্ম-বীৰৰ মুঠেই মন-কাণ নাছিল। তথাপি—ৰজাই মাতিছে, গতিকে যাবলগা হ'ল।

বাটত ৰামধ্যানৰ লগত ধৰ্মবীৰৰ দেখাদেখি। ৰামধ্যানো গাঁও লখিমপুৰৰে। ৰামধ্যান আছিল এজন সাধৰণ হালোৱা।

হৰিশ নামৰ খেতিয়ক এজনে ৰাম-ধ্যান হালোৱাক বৰ দিগ দিছিল। হৰিশে ৰামধ্যানক এজ্ঞাপ কাগজত কিবাকিবি হিজিবিজি লিখালিখি দেখুৱাই কৈছিল,

কীৰ্তি মহন্ত



"বুইছা ৰাম, তোমাৰ দেউতাৰাই মোৰ দেউতাৰপৰা ঢেৰ টকা ধাৰলৈ নিছিল ; সেই ধাৰ নমৰাকৈয়েই তেওঁ যমৰ ভোজ খাবলৈ গ'লগৈ।"

এই পিতৃ-ঋণৰ বিনিময়ত হৰিশে ৰামধ্যানৰ মাটিখিনি হাত কৰি লৈছিল।

তেতিয়া, উপায়হীন হৈ ৰামধ্যানে ন্যায়াধীশ ধৰ্মবীৰৰ কাষ চাপিছিল, আৰু ধৰ্মবীৰে বিচাৰ কৰি ৰামধ্যানৰ মাটিখিনি তৎক্ষণাৎ ওভোতাই দিবলৈ হৰিশৰ ওপৰত হুকুম জাৰী কৰিছিল।

ধৰ্মবীৰে ৰামধ্যানক সুধিলে, "কেনে আছা, ৰামধ্যান ?"

"দয়াৰান সত্যপালজীৰ কিৰ্পাত চলি আছোঁ, হুজুৰ।" ৰামধ্যানে ক'লে।

"কথানো কি— ?" ধৰ্মবীৰে ৰামধ্যানৰ পিনে চাই লাহেকৈ সুধিলে, "সত্যপাল-জীয়ে তোমাক কিনো কিৰ্পা কৰিলে ?"

"হুজুৰ, সত্যপালজীৰ কিৰ্পা নহ'লে আমি পা-পৰিয়ালে নেখাই মৰিলো-হেঁতেন। সত্যপালজীয়েই হ'ল দুখীয়া-ভুকীয়াহঁতৰ একমাত্ৰ বন্ধু। সত্যপালজীয়ে তেওঁৰ মাটিৰ দুহালিচামান মোক নিদিয়া-হেঁতেন, বহুদিনৰ আগতেই আমি খাবলৈ নেপায়েই কিজানি 'মৰিশালিৰ বাট ল'লো-হেঁতেন।" ৰামধ্যানে ধৰ্মবীৰক ক'লে।

"কি কোৱাঁহে ৰামধ্যান !" ধৰ্মবীৰে আচৰিত হৈ ক'লে, "মই তোমাৰ মাটিখিনি সেই মহাদুষ্ট হৰিশৰপৰা ওভোতাই দিয়া নাছিলোঁ জানো ?"

"হয় হুজুৰ, আপুনি হৰিশক হুকুম দিছিল। কিন্তু হৰিশে আপোনাৰ সেই হুকুমলৈ পৰোৱাই কৰা নাছিল।" এই বুলি কৈ ৰামধ্যান অন্য ফালে ঘূৰিল।

তাৰ পাছত ন্যায়াধীশ ধৰ্মবীৰ ৰাজ-ধানীলৈ গ'ল ; কিন্তু মনটো তেওঁৰ ভাৰবীয়া হৈয়েই থাকিল।

ৰজাই ৰাজসভাত ন্যায়াধীশ ধৰ্মবীৰৰ নাম ঘোষণা কৰিলে আৰু ধৰ্মবীৰক ৰাজ

সভালৈ মতাই পঠালে।

ৰাজসভাত থিয় হৈ ধৰ্মবীৰে ৰজাক ক'লে, "মহাৰাজ! আপোনাৰপৰা সন্মান প্ৰাপ্তিৰ যোগ্যতা মোৰ নাই। মোক ক্ষমা কৰক। এই সন্মান লখিমপুৰৰ জমিদাৰ সত্যপালজীয়েহে পোৱা উচিত। মোৰ সলনি আপুনি সত্যপালজীৰ মান ধৰিলে যথাযোগ্য কাম কৰা হ'ব।"

মহাৰাজে আচৰিত হৈ ধৰ্মবীৰলৈ চালে।

তেতিয়া ধৰ্মবীৰে ৰামধ্যানৰ কাহিনী পৰিপূৰ্ণ ৰাজসভাত মহাৰাজক ক'লে।

ধৰ্মবীৰে মহাৰাজক পুনৰ ক'লে, "মহাৰাজ, আপোনাৰ নিযুক্ত এজন ন্যায়াধীশ হিচাপে মই কেৱল আপোনাৰ হৈ আদেশহে জাৰী কৰিব পাৰোঁ, প্ৰকৃত বা প্ৰত্যক্ষ উপকাৰ কিন্তু কৰিব নোৱাৰোঁ। এই কামটি দয়ালু জমিদাৰ সত্যপালজীয়েহে ইমান কাল ধৰি কৰি আহিছে। কেৱল সত্যপালজীয়েই নহয়, দুখীয়া-নিছলাইঁতলৈ তেওঁলোকৰ এই মৰম-ধৰম পুৰুষ পৰম্পৰাই চলি আহিছে। গতিকে — এওঁৰ মান ধৰিলে ময়ো আনন্দিত হ'ম।"

সকলো কথা শুনাৰ অন্তত মহাৰাজে ক'লে, "ধৰ্মবীৰ, সত্যপাল সচ্চে সচ্চেই সন্মানৰ যোগ্য। লগতে—মনুষ্যত্বৰ স্বীকৃতিৰ বাবে তুমিও কম যোগ্য নহয়। ময়ো সত্যপালৰ আৰু তোমাৰো শলাগ লৈছোঁ।"

তাৰ পাছত মহাৰাজে সত্যপাল আৰু ধৰ্মবীৰলৈ একেলগেই সন্মান জ্ঞাপন কৰিলে আৰু হৰিশৰ দৰে মানুহবিলাকে যিবোৰ ভ্ৰষ্টাচাৰী ৰাজকৰ্মচাৰীক হাত কৰি ৰজাৰ তথা ন্যায়াধীশৰ আদেশলৈকো উপেক্ষা কৰে, তেনেবোৰ ঘোচখোৰ ৰাজকৰ্মচাৰীক বিচাৰি উলিয়াই ফাটকত আটক কৰি ভৱিষ্যতে এনেবোৰ ভ্ৰষ্টাচাৰী-ঘোচখোৰী কাম যাতে আনবিলাকে কৰিবলৈ ভয় খায় তাৰ বাবে যথাযোগ্য শাস্তি বিহিলে।





তেলেই তৰণী

বহু কালৰ আগৰ কথা। তেতিয়া বাগদাদ নগৰত এজন অতি ডাঙৰ সদাগৰ আছিল। এইজন সদাগৰৰ আছিল তিনিটা গোলাম। এটা গোলামে ওৰে নিশা সাৰে থাকি সদাগৰৰ ভৰি পিটিকিছিল, দ্বিতীয়টো গোলাম আছিল সদাগৰৰ পানীৱলা, অৰ্থাৎ সি সদাগৰৰ ঘৰত যিমান পানী লাগে তাৰ যোগান ধৰিছিল। আৰু তৃতীয়টো গোলামে বজাৰ-সমাৰ কৰিছিল, অৰ্থাৎ — সদাগৰৰ ঘৰৰ বস্তু সামগ্ৰী অ'ৰ-ত'ৰপৰা আনিছিল।

গোলাম তিনিওটাই দিনে-নিশাই সদাগৰৰ কাম কৰিছিল; কিন্তু সদাগৰৰ মন প্ৰাণ আছিল অতি মাত্ৰাত কাঠ-কঠিন। সদাগৰে এই গোলাম তিনিটাক তুসাজ কেৱল নিথম-কটহে খ বলৈ দিছিল।

সদাগৰৰ অপাৰ ধন; দুখো অপাৰ। সদাগৰৰ কোনো ল'ৰা-ছোৱালী নাছিল।

কিন্তু ইমান দিনৰ অন্তত সদাগৰ এটি পুত্ৰৰ পিতৃ হ'ল আৰু সদাগৰৰ মনত আনন্দয়ো নধৰা হ'ল। সদাগৰে হাজাৰ-বিজাৰ দুখীয়া-ভুকীয়াক খুৱালে-বুৱালে দান-দক্ষিণা দিলে কাপোৰ-কানি বিলালে।

আৰু এইবোৰ নকৰা কাম কৰি থাকোঁতে সদাগৰৰ মনত হঠাৎ এটা ভাবৰ উদয় হ'ল। আৰু উদয় হোৱাৰ লগে লগে সদাগৰে তেওঁৰ তিনিওটা গোলামক মৰমসনা মাতেৰে ক'লে, "বোপাহঁত, তহঁতে বহু বহু দিন ধৰি মোৰ ইয়াত কাম কৰি আছ। আজিৰ এনে খুছদিনৰ দিনত মই তহঁতকো এটা বিশেষ উপহাৰ দিবলৈ বিচাৰিছোঁ। তহঁতৰ মাজত যিজনে

মোহিনী শইকীয়া

আজিৰ গোটেই দিন ধৰি কাম কৰি কৰি মোৰ দিল্ ভাল লগাব পাৰিবি, তাক মই আজাদ কৰি দিম।”

সেইদিনা — তৃতীয়টো গোলামে গোটেই দিন ধৰি ভাগৰি-জুগৰি ঢেৰ ঢেৰ বজাৰ-সমাৰ কৰি থাকিল।

কেৱল দিনৰ পোহৰতে নহয়, ৰাতিৰ পৰতো কত যে বস্তু-বাহানি পিঠিত উঠাই কঢ়িয়াই অনা হ'ল তাৰ সীমা নাই।

পানীৱলা দ্বিতীয় গোলামটোৱে ইমান পানী আনি থাকিল যে—পানী কঢ়িয়াই থাকোঁতেই সি এসময়ত বেহুঁচ হৈ বাগৰি পৰিল।

কিন্তু প্ৰথমটো গোলামে তাৰ কাম—সদাগৰৰ হাত-ভৰি গা-মূৰ পিটিকি দিয়াৰ কাম নকৰা হ'ল সেইদিনা। সি সদাগৰৰৰ পাকঘৰৰ এচুকত আৰামতে গোটেই দিনটো ঘুমে-খোৱাটো হৈ শুই থাকিল।

সদাগৰে আন দুটা গোলামক সুধি যেতিয়া প্ৰথম গোলামটোৰ এই কথা শুনিলে, তেতিয়া সদাগৰে খঙত একো নাই হৈ সেই গোলামটোক তৎক্ষণাৎ তেওঁৰ আগত হাজিৰ কৰিবলৈ টানি হুকুম জাৰি কৰিলে।

আন গোলাম দুটাই সেই গোলামটোক পাকঘৰৰপৰা টানি-চুঁচৰি লৈ আহিল।

ইতিমধ্যেই — প্ৰথম আৰু দ্বিতীয় গোলামটোৰ কাম-কাজত ভাল পাই সদাগৰে সিহঁতক গোলামীৰপৰা মুক্তি দিছিল. আৰু লগতে সামান্য পৰিমাণৰ ধনো দিছিল।

এইবাৰ তেওঁ এইটো গোলামক—এই ধোদৰ পচলাটোক চকু পকাই ধৰিলে আৰু ক'লে, “বোলোঁ—ঐ হাৰামৰ নেগুৰ বেওকুফ অলগৰ্ধ জহনীত যোৱা মৰকুচীয়া মৰ ঢেং জোৰা বদমাছটো, তই যে কি হেকৰালি তই জ.ননে কিবা ? আজিয়েই তই আজাদী পালিহেঁতেন ইহঁতৰ দৰে। কিন্তু—তোক মই শুদাই নেৰোঁ। —ক',

কিয় তেনেকৈ শুই আছিলি, ক', ক।"

নিষয়ে-নিমাতে সকলো শুনি এইটো। গোলামে উচুপি উচুপি ক'লে, "মালিক—দৌতা—হুজুৰ! মই জীয়াই থাকোঁমানে আপোনাক এৰি ক'লৈকো — আনকি বিহিস্ত বা নৰ্কলৈকো নেযাওঁ। গোলামী এৰি আজাদী ভোগ কৰাৰ সুবিধা আপুনি দিছিল হয়, কিন্তু পৰ্ভু মালিক দৌতা হুজুৰ. মই মোৰ জিন্দগীভৰ আপোনাৰ আলধৰা হৈয়েই জীৱনটো পাৰ কৰিব খুজিছোঁ।" এই বুলি কৈ কৈ সি গোলামে তাৰ চকুপানী গুলাওক-নোলাওক ফোপায়েই থাকিল।

সদাগৰে কোমল কাটি সুৰসুৰীয়াটি হৈ ক'লে, "হাবে পগলাটো ক'বাৰ! গোলামীয়ে তোৰ হাড়তো বন গজাইছেহে দেখিছোঁ। ঠিক আছে, নকান্দিবি ঐ বোপা। তোক—তথাপি মই আজিৰপৰা আজাদীকে দিলোঁ। পিছে—তই থাক যদি থাকিবি, মোক নেৰ যদি নেৰিবি। তোক আন চাকৰি এটা মই দিম, আৰু ভাল চাই এজনীৰ লগত তোৰ 'বিয়াও পাতিদিম। —হ'ব? এইবাৰ তেনেহ'লে—তই কান্দোন বন্ধ কৰ।"

গোলামটোৱে তৎক্ষণাৎ এই সদাগৰৰ গদহা ভৰিত দীঘল দি পৰিল।

আন গোলাম দুটাই পৰস্পৰলৈ চালে। 'শুই থকা শিয়ালে কেতিয়াও হাঁহ ধৰিব নোৱাৰে' বুলি যে ইমান দিন ধৰি শুনি আহিছিল, এতিয়া সেইফাকি বৰ সঁচা যেন নালাগিল সিহঁতৰ। সিহঁতৰ নতুনকৈ জ্ঞানোদয় হ'ল। সিহঁতে এতিয়া বঢ়িয়াকৈ বুজিব পাৰিলে যে পাপ-পুণ্য ন্যায়-অন্যায় চব উৰা-ভুৰা নথকা-নোপোৰা কথা, আচল কথা হ'ল—তেল। তেলেই জীৱনক তৰাব পৰা তৰণী।

সদাগৰে তেওঁৰ কথা ৰাখিছিল। তেওঁ এই গোলামটোৰ বিয়া পাতি দিছিল।

দস্যু যুৱৰাজ

১০

[আগ-কথা : অমৃতপুৰী আক্ৰমণ কৰিবলৈ বীৰসিংহ সসৈন্যে ওলাল। কিন্তু তাৰ সৈন্যইত সুধাৰা নৈ নাৱেৰে পাৰ হ'বলৈ ধৰাত আকস্মিক বানৰ প্ৰচণ্ড ঢৌত পৰি ডুবিল। অস্ত্ৰ শস্ত্ৰও প্ৰচুৰ পৰিমাণে বিনষ্ট হ'ল। ইপিনে—ৰাজকীয় ধন-ভঁৰালো তেতিয়া শূন্য : তেতিয়া কুৰ্বুধীয়া কপালকণ্ঠৰ কুবুদ্ধিমতে বীৰাজপা বীৰসিংহই শান্তিপুৰৰ প্ৰজাবৰ্গৰ ওপৰত অন্যায় কৰ-কাটলৰ গধুৰ বোজা জাপি দিলে তথা ৰাজকীয়ভাৱেই লুটপাত কৰিবলৈ ধৰিলে। প্ৰজাবৰ্গই এই অন্যায় জুলুমৰ প্ৰতিবাদ আৰু প্ৰতিৰোধ কৰি থাকিল। তাৰ পাছত······]

বসন্তঋতুৰ আগমনত বনাঞ্চল অপূৰ্ব সৌন্দৰ্য্য-মণ্ডিত হৈ উঠিল। দিশে দিশে সেউজৰ সমাৰোহ। পক্ষীকুল আনন্দত মগ্ন। অৰণ্যত তেতিয়া যেন উৎসৱৰ উখল-মাখল। তেতিয়া প্ৰকৃতি সংগীত মুখৰিত।

শান্তিপুৰৰ ৰাজকোঁৱৰ যেতিয়াৰপৰা অৰণ্যবাসী হ'ল—তেতিয়াৰেপৰাই যেনিবা বসন্তই তাৰ অপাৰ সৌন্দৰ্য্যৰে সৈতে সাজি-কাচি প্ৰকৃতিক অভ্যৰ্থনা কৰিবলৈ সাজু হৈ থাকিল।

ৰাজকুমাৰৰ বয়স এতিয়া ছয়-সাতমান হ'ল। মুনি জয়ানন্দই ৰাজকুমাৰৰ নাম ৰাখিলে 'সন্দীপ'। জয়ানন্দ মুনিয়ে অৰণ্যত থকা জন্তু-জানোৱাৰৰ সহায়তাৰে



নিজৰ বহু বিধৰ কাম কৰোবাৰ পাৰিছিল। কিন্তু তেওঁৰ এই শক্তিৰ বিশেষ কথাটো প্ৰায় কোনোৱেই নাজানিছিল।

এতিয়া জয়ানন্দ মুনিয়ে নিজৰ এই অসাধাৰণ শক্তিক লাহে-ধীৰে ৰাজকুমাৰ সন্দীপৰ মাজত সংক্ৰামিত কৰিবলৈ ধৰিলে আৰু এই শক্তিৰ বলত ৰাজকুমাৰ সন্দীপে মানৰশিশুৰ সৈতে খেল-ধেমালি কৰাৰ দৰে হৰিণা বা বাঘৰ-পোৱালিহঁতৰ সৈতেও খেলি থাকিব পৰা হ'ল। সন্দীপৰ বন্ধুহঁতৰ মাজত আছিল এটা দঁতাল হাতী। এই হাতীটোৰ নাম কৰীন্দ্ৰ। কৰীন্দ্ৰ হ'ল অৰণ্যৰ সকলো হাতীৰ চৰ্দাৰ হাতী।

সন্দীপে যেতিয়াই কৰীন্দ্ৰৰ পিঠিত উঠি অৰণ্যত ঘূৰি ফুৰিব খুজিছিল। তেতিয়াই, সন্দীপে হাত তুখন কৰীন্দ্ৰৰ আগত দাঙি দিয়াৰ লগে লগেই কৰীন্দ্ৰই তাৰ শুঁৰেৰে সন্দীপক আলফুলকৈ দাঙি লৈ পিঠিৰ ওপৰত বহুৱাই লৈছিল আৰু লগতে—বান্দৰ এটায়ো সন্দীপৰ পিছফালে সন্দীপৰ পৰীয়া হিচাপে বহি দিছিলগৈ। মল্লি নামৰ ভাটৌজনীয়ে ইগছপৰা সিগছলৈ উৰি উৰি গৈ গৈ বাট-পথৰ আগ বতৰা কৰীন্দ্ৰক কৈছিল।

ৰাজকুমাৰ সন্দীপে বাঘৰ পোৱালিবিলাকৰ লগত লুকা-ভাকু খেলিছিল, ভালুকৰ পোৱালিবিলাকৰ সৈতে কুস্তি কৰিছিল, আৰু অন্যান্য নানান জন্তু-জানোৱাৰৰ পা-পোৱালিবিলাকৰ সৈতে নানান ধেমালি ধুমুলাৰ তো কথাই নাই।

ৰাজকুমাৰ যেতিয়া পাঁচ-ছয় বছৰীয়াটো হ'ল তেতিয়াৰেপৰাই পুৱে ধলফাঠ নৌ দিওঁতেই নিজৰাৰ পানীৰে নিজে নিজে স্নান সমাপন কৰিছিল আৰু স্নানৰ অন্তত গুৰু জয়ানন্দ মুনিৰ ওচৰত ভক্তি ভাবেৰে বহিছিলহি অধ্যয়ন কৰাৰ বাবে। তাৰ প্যছত গুৰু জয়ানন্দৰ লগতে অৰণ্যৰ সৌন্দৰ্য্য অৱলোকন কৰিবলৈ তথা অৰণ্যৰ


RAZI



সম্পৰ্কে বিশদ জ্ঞান আৰ্জিবলৈ অৰণ্যত ভ্ৰমি ফুৰিছিল। অৰণ্যত ঘূৰি ফুৰোঁতে মুনি জয়ানন্দই ৰাজকুমাৰ সন্দীপক বিচিত্ৰ গছ-গছনিৰ সৈতে চিনাকি কৰাই দিছিল। মুনি জয়ানন্দই ৰাজকুমাৰক কৈছিল, "বোপা! এনেহেন মনোমোহা সুন্দৰী ধৰণীৰ তথা এই সৌন্দৰ্য্যময়ী অৰণ্যৰ গৌৰৱ প্ৰকাশ কৰা আমাৰ কৰ্তব্য। মানৱৰ সৃষ্টিৰ বহু বহু কালৰ আগৰেপৰাই এই অৰণ্যৰ জন্ম হৈছিল। কৰুণাময় ঈশ্বৰৰ সৃজনৰ অনুপম সৌন্দৰ্য্যক চাবলৈ আন ক'লৈকো যোৱাৰ আৱশ্যকতা নাই, প্ৰকৃতিলৈ এটবাৰ চালেই সেই আশা পূৰ্ণ হ'ব। যাৰ প্ৰকৃত দৃষ্টিশক্তি আছে—সকলোতে ঈশ্বৰৰ বিচিত্ৰ লীলা প্ৰত্যক্ষ কৰিব পাৰে। প্ৰতিজোপা বৃক্ষয়েই কিমান যে শোভামণ্ডিত! চোৱাঁ, এই জোপা হ'ল চম্পা, আৰু এইজোপা হ'ল চামেলী। দুয়োজোপা একে অৰণ্যৰ বৈচিত্ৰ্য! সমগ্ৰ প্ৰকৃতিৰাজ্য এনেকুৱা বৈচিত্ৰ্যেৰে ভৰপূৰ। চম্পাচ-মেলীয়ে—একেই জল, বায়ু আৰু সূৰ্য্যালোক গ্ৰহণ কৰে; যে স্বতন্ত্ৰ! বৰ্ণ-গন্ধ তথাপি সকলোতে পাৰ্থক্য। কিন্তু যদি তুমি গভীৰভাবে ভাবি চোৱা, তেনেহ'লে এই স্বাতন্ত্ৰ্যৰ অন্তৰালত থকা ৰহস্য বুজি পাবা। প্ৰকৃতিৰ এই একেই মাটিত আম গছত আম কঠাল গছও কঠাল ওপজে। এই অবাক কথা ভাবি আচৰিত যেন নালাগেনে বাৰু?"

ৰাজকুমাৰ সন্দীপে গুৰুৰ মুখলৈ চায়েই আছিল জিজ্ঞাসাৰ দৃষ্টি মেলি। ৰাজকুমাৰে অবাক বিস্ময়েৰে এইবোৰ কথা শুনি আছিল।

"পুত্ৰ, আন এটা কথালৈ তুমি মন কৰিছানে? এই যে বৃক্ষবোৰে আমাক ফল দিয়ে—তাৰ সলনি বৃক্ষবোৰে কিন্তু আমাৰপৰা একোৱেই নিবিচাৰে। তুমি যদি আম বা মধুৰি আম বুটলি লোৱা,

সেইবোৰ বিৰিখে তোমাৰপৰা কিবা বিচাৰিবনে? কিবা প্ৰতিদান পাবলৈ বৈ থাকিবনে? নিশ্চয় নাথাকে আমাক আনন্দ দান কৰাতে প্ৰকৃতিৰাজ্য উন্মুখ। আৰু—এনেকুৱা নিৰমল আনন্দ প্ৰকৃতি ৰাজ্যৰ অধিবাসী মনুষ্যয়ো আহৰণ কৰাৰ চেষ্টা কৰা কৰ্তব্য। প্ৰকৃতি ৰাজ্যৰ এই মহৎ গুণ আমিও প্ৰকৃতিৰপৰা শিকি লোৱা আৱশ্যক।"

গৈ গৈ ৰাজকুমাৰক লৈ মুনি জয়ানন্দই পাহাৰ পালেগৈ। তেতিয়া হয়তো সাঁজ লাগি ভগিছেহে মাথোন। মুনিয়ে ৰাজকুমাৰক আকাশৰ গ্ৰহ-নক্ষত্ৰবোৰৰ সৈতে সম্পৰ্কিত পুৰাণৰ কাহিনী কয়।

আৰু এইদৰে—ৰাজকুমাৰ সন্দীপ মুনিৰ প্ৰত্যক্ষ তত্বাৱধানত আৰু প্ৰকৃতিৰ সুমহান ৰাজ্যত বিভিন্ন প্ৰাণী-পৰিবৃত হৈ ডাঙৰ-দীঘল হৈ থাকল।

মুনি তথা গুৰু জয়ানন্দই কোৱা কাহিনীৰ কৃষ্ণ, ৰাম, ধ্ৰুব, বা নচিকেতা—সকলোটিৰেই পিতৃ-মাতৃ আছে; কিন্তু—তাৰহে কেও-কিছু নাই। —কিয় নাই? সন্দেহৰ অন্ধকাৰত বেছি পৰলৈ নাথাকি সন্দীপে মুনি জয়ানন্দক সুধিয়েই পেলালে, "গুৰুদেৱ, মোৰ পিতৃ কোন? মাতৃ কোন? তেওঁলোক ক'ত আছে?"

"পুত্ৰ, এটি সন্তানক পিতৃ-মাতৃৰপৰা কি লাগে জানানে? ঈশ্বৰে নিজৰ মৰম-চেনেহখিনি পিতৃ-মাতৃৰ যোগেদি সন্তানলৈ পঠিয়ায়। সেই কাৰণেহে পিতৃ-মাতৃৰ আৱশ্যক হয়। তুমি সাধাৰণ সন্তান নহয়, তুমি এটি অসাধাৰণ মহান সন্তান। সেইহে—কোনো মাধ্যম নোহোৱাকৈ—স্বয়ং ঈশ্বৰে তোমাক মৰম কৰা হৈছে।" মুনি জয়ানন্দই ৰাজকুমাৰ সন্দীপৰ গায়ে-মূৰে হাত ফুৰাই ক'লে।

এই কথা শুনি মুখত হাঁহিৰ আভাৰে ঢৌ তুলি ৰাজকুমাৰ সন্দীপে ক'লে, "ঈশ্বৰৰ মৰমো মাধ্যমৰ মাধ্যমেৰেই পাই আছোঁ,

গুৰুদেৱ! আপুনিয়েই মোৰ পিতৃ আৰু এই সুন্দৰী প্ৰকৃতি হ'ল মোৰ মাতৃ।"

*

বীৰসিংহ সিংহাসনত বহি আছিল। গুপ্তচৰহঁতৰপৰা সম্বাদ এটি শুনি খঙতে ৰমকি উঠি বীৰসিংহই ৰাজসভাৰ মজিয়াত ঠটা গোৰ মাৰি চিঞৰি কৈ উঠিল, "কপাল-কণ্ঠ—? এইবোৰ কি কথা বেঙৰ মাথা হ'ব ধৰিছে? আজিও সেই একেই জাবৰ-খবৰ? আজিও আমাৰ কৰ্মচাৰী-হঁতৰপৰা ৰাজকীয় বয়-বস্তু — হওক সি শাকেই বা পাচলিয়েই—ভৰিৰ তলৰো তলৰবিলাকে লুট-পাত কৰিব পৰা হৈছে? আমাৰ এই সাতপাত চৰেৰে ৰাও কাঢ়িব নোৱৰাহঁতৰ ইমান মৰথক-মৰসাহ হ'লনো কেনেকৈ? সিহঁতক এই সাহস কোনে যোগালে? কোনে বাঘ-বুকুৰা কৰিলে? সেই হাৰামৰ নেগুৰটো কোন?"

কৰৰপৰা কণ্ঠলৈ গোটায়ো কলিৰ নাৰকী কপালকণ্ঠই এই কথাৰ কী যে জৱাব দিব ঠাৰৰ কৰিব নোৱাৰি ফেঁচা-মুৰাটো হৈ তন্ময় হৈ ৰ'ল।

"এইবোৰ সাৰ-গোবৰ নোহোৱা সিয়নিত শোৱাহঁতক ধৰি ধৰি ফাটকত আটক কৰিলেহে হ'ব। ইহঁতক পুলিয়ে-পোখাই উভালিব লাগিব—তেহে জানিম যে তুমি কপালণ্ঠ এটা কেচু-কুমটি নহয়, সাইলাখ সাপহেন সেনাপতি।"বীৰসিংহই চিঞৰ মাৰি ক'লে. "কপালকণ্ঠ! মোৰ কথা তোমাৰ হাতীকাণত সোমাইছেনে?"

ঠিক তেতিয়াই ক'ৰবাৰপৰা কাঁড় এডাল ৰাজসভাৰ এখন খিৰিকীয়েদি বিজুলী চমকনিৰ দৰে সোমাই আহিল আৰু ঠিক সিংহাসনৰ অনতিদূৰতে মজিয়াত পৰিল। কাঁড়ডালৰ আগভাগত আছিল এটুকুৰা কানি বন্ধা আছিল।

বীৰসিংহই লগে লগে সিংহাসন এৰি থিয় হ'ল আৰু ৰাজসভাত উপস্থিত থকা তাৰ টেমেকাবোৰো উঠি থিয় দিলে।

কাঁড়ডাল বুটলি আনিবলৈ কপাল-কণ্ঠই বুলন দিয়াৰ লগে লগেই বীৰসিংহই চিঞৰি উঠিল, "মূৰ্খ!"

শব্দটো শুনিয়েই কপালকণ্ঠই তাৰ প্ৰভু বীৰসিংহলৈ ঘূৰি চালে।

"প্ৰথমেই—কোনে কঁড়িয়াইছে তাক বিচাৰি উলিউৱাগৈ।আমাৰ ভোট-মনোহৰ চিপাহীবোৰে যদিহে কেনেবাকৈ তাৰ ভৰিতো ধৰিব পাৰিছে—হ'ল। নহ'লে—এই মুহূৰ্ততে সেই কাঁড়ীটোৰ পিছ খেদি যাব লাগে। যোৱা—জল্‌দি কৰাঁ।" বীৰসিংহই কপালকণ্ঠক ডাবি মাৰি ক'লে।

কপালকণ্ঠই ব্ৰান্দৰৰ দৰে জাঁপ মাৰি ৰাজসভাৰপৰা তথা বীৰসিংহৰ কবলৰপৰা ওলাই গ'ল আৰু তাৰ পিছে পিছে আন কেইবাজনো ৰাজকৰ্মচাৰীও ওলাল।

তাৰ পাছত বীৰসিংহই তাৰ দেহৰক্ষী এজনক ক'লে, "এতিয়া চোৱাঁ—সেই কাঁড়ত থকা কানিত কি কৰমকানিৰ বা-বতৰা আছে।"

দেহৰক্ষীজনে কাঁড়ত থকা কানিৰে বন্ধা সৰু টোপোলাটো খুলি তাৰপৰা তালপাত এখিলা উলিয়াই আনি বীৰসিংহৰ হাতত দিলে। বীৰসিংহই তালপাতখিলাত থকা লিখাখিনি পঢ়িবলৈ ধৰিলে ঃ আমি তোমালোকৰ বস্তু লুট কৰা নাই, তোমা-লোকেহে আমাৰ বস্তু লুট কৰিব ধৰিছা। আচল লুটপাতকাৰী তোমালোকহে, অমি

নহও। মূৰৰ ঘাম ভৰিত পেলাই উৎপাদন কৰা কৃষকক তোমালোকে নিৰ্বিবাদে লুট কৰি থাকিবা আৰু আমি ভোদা-ভেলেঙাৰ দৰে চাই থাকিম—সেইটো নহৈছে।

কপালকণ্ঠই সেই কাঁড়ীক বিচাৰি উলিয়াই কটকটীয়াকৈ বান্ধি লৈ পুনৰ ৰাজসভালৈ আহিব এই প্ৰতিজ্ঞাৰে বীৰসিংহই কিছু সময় ধৰি ৰাজসভাৰ ঘাই দুৱাৰৰ পিনে চাই ৰ'ল। কিন্তু বহু সময় পাৰ হৈ যোৱাৰ পাছতো কপালকণ্ঠৰ ছাঁটোও চকুত নপৰাত বীৰসিংহই পাইচাৰি কৰি কৰি গম্ভীৰ কণ্ঠেৰে বলকি থাকিল, "মই এয়া—অলপ আগতে কৈ আছিলোঁ যে আমাৰ কৰ্মচাৰীইঁতক কোনোবাইঁতে লুট কৰি আছে। তাৰ পাছতহে এই তালপতীয়া পত্ৰ পালোঁ। এই কথাৰ অৰ্থ হ'ল যে—আমাৰ মাজতেই কোনোবা এটা গুপ্তচৰ আছে। কিয়নো—মই সেই কথা কোৱাৰ পাছতহে এই পত্ৰ পাইছোঁ।"

আৰু ঠিক তেতিয়াই কপালকণ্ঠ পুনৰ ৰাজসভাত সোমাই আহিল।

বীৰসিংহ পোনে পোনেই কপালকণ্ঠক সুধিলে, "সেই ধূৰ্তক ধৰিব পাৰিছা নিশ্চয়? তাক মাৰি পেলালানে কি?"

"নহয় মহাৰাজ, সি— "কপালকণ্ঠই ক্ষন্তেকৰ বাবে থমকি ৰৈ পুনৰ ক'লে, "পলাল। —সি ঘোঁৰাত উঠি পলাল।"

"ঘোঁৰাত উঠি পলাল! তাক ধৰিবলৈ আমাৰ ঘোঁৰাশালত ঘোঁৰা নাই?"

"আমাৰ ঘোঁৰাচোৱাৰীয়ে ঘোঁৰাশালৰ-পৰা ঘোঁৰা এটা উলিয়াই অনাৰ আগতেই সি ধূৰ্তই ঘোঁৰাত উঠি বিজুলীগতিৰে পলাই গ'ল।"কপালকণ্ঠই ক'লে।

"এই অযোগ্য ঘোঁৰাচোৱাৰীটোক এতিয়াই ফাঁচিৰ জৰীত ওলোমাই দিয়া। আৰু হোঁ— শুনা—সেই ঘোঁৰাটোকো মাৰি পেলোৱা।" বীৰসিংহই ৰাজকীয় আদেশ জাৰী কৰিলে। [অহা সংখ্যাত



পলত পৰা কাছ

দৃঢ়প্ৰতিজ্ঞ ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছজোপাত ওলমি থকা মৃতদেহটো নমাই আনি কান্ধৰ ওপৰত পথালিকৈ পেলাই লৈ গৈ থাকোঁতে মৃতদেহৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, জগতৰ পণ্ডিত লোকসকলৰ মতে জগতৰ ৰজা-মহাৰজাসকল অস্থিৰমনা হয় অতি। তোমাৰ মাজতো এই অস্থিৰতা দেখা পাইছোঁ আৰু ভাবিছোঁ যে—যি উদ্দেশ্যে ইমান শ্ৰম কৰিছা, সেই উদ্দেশ্য পূৰণ হ'লেও তোমাৰ কিবা উপকাৰ হ'ব, নে তোমাৰ শ্ৰমেৰে আন কাৰোবাৰহে কিবা উপকাৰ হ'ব। তোমাৰ ইমান পৰীক্ষা-নিৰীক্ষাৰে মনে-বিচৰা ফল তুমি কিন্তু নাপাবও পাৰা, পলত পৰা কাছ যেনো হ'ব পাৰা—এই কথাটি মনত ৰাখিবা। আজি ৰজা চন্দ্ৰদেৱৰ কাহিনী কওঁ শুনা।"

'বেতাল-কথা'

ৰজা চন্দ্ৰদেৱ আছিল দক্ষিণপুৰীৰ ৰাজ্যৰ ৰজা। তেওঁৰ কোনো পুত্ৰ-সন্তান নাছিল, আছিল একমাত্ৰ জীয়েক লক্ষ্মীপ্ৰিয়া।

আৰু আছিল — পুত্ৰহীন ৰজাৰ প্ৰাসাদত সুভাষ আৰু বীৰবাহু নামৰ পুত্ৰসম দুজন যুৱক, যদিও এই যুৱক দুজন প্ৰকৃতাৰ্থত ৰজাৰ আত্মীয় শ্ৰেণীতহে পৰে। দুয়োজন যুৱকেই আছিল অতি সুন্দৰ, চৰিত্ৰৱান আৰু বুদ্ধিমান। ৰজা-ৰাণীয়ে দুয়োকো ভাল পাইছিল।

এদিন ৰজা চন্দ্ৰদেৱে ৰাণী চন্দ্ৰাদৰীক ক'লে, "হেৰা — শুনিছানে? আমাৰ লখিমীজনী বিবাহযোগ্য হ'ল। মই—কথা এটা তোমাক কওঁনে?"

"কওক।" ৰাণীয়ে শান্তি দৃষ্টিৰে চাই ৰজাক ক'লে।

"আমাৰ সুভাষ আৰু বীৰবাহুৰ মাজত কোনোবা এজনৰ হাতত লখিমীক দিওঁ বুলি ভাবিছোঁ।" ক্ষন্তেক ৰৈ ৰজাই পুনৰ ক'লে, "যদি তোমাৰ মত আছে—দুজনৰ মাজত কাক তোমাৰ পছন্দ ক'বানে?"

মুহূৰ্তমানৰ বাবে থমকি ৰৈ ৰাণীয়ে ক'লে, "প্ৰকৃতপক্ষে—দুয়োজনেই যোগ্য। কিন্তু মোক যদি সোধে — মোৰ মন বীৰবাহুত। বীৰবাহু আমাৰ দেখাই-মেলাই সুভাষতকৈ ঢেৰ সুন্দৰ আৰু জুকি চালে কিজানি বুদ্ধিও অধিক।"

"ৰজাই মৃদুকৈ হাঁহি মাৰি ক'লে, "মোৰ কিন্তু—"

ৰজাই ৰৈ দিয়াত ৰাণীয়ে জিজ্ঞাসাৰ দৃষ্টিৰে চালে।

"মোৰ মন সুভাষতে। সুভাষ সুন্দৰ সিমান নহয়, যদিও কৰ্মদক্ষ। আৰু— সৌন্দৰ্য্য চিৰ দিন নাথাকে। সোণৰ আঙঠি যেনেকৈ বেঁকা হ'লেও সোণেই, প্ৰকৃত পুৰুষ হ'ব লাগিব সোণৰ আঙঠি।" ৰজাই হাঁহি হাঁহি ক'লে।

"তথাপি — মোৰ পছন্দ বীৰবাহু। বীৰবাহু কেৱল দেখাতেই সুন্দৰ নহয়,

গুণও তাৰ যথেষ্ট। বীৰবাহুৰেই হ'ব আমাৰ লখিমীৰ যোগ্য পাত্ৰ।" ৰাণীয়ে দৃঢ়কণ্ঠেৰে মতামত ব্যক্ত কৰিলে।

"ঠিক আছে, আমি তেন্তে কিবা এটা পৰীক্ষাৰে— দুজনৰ মাজত কোন অধিক যোগ্য তাৰ বুজ ল'ম। কিন্তু মোৰ ধাৰণা — সুভাষেই যোগ্য হ'ব।" ৰজাই ৰাণীক ক'লে।

*

পাছদিনা ৰজাই সুভাষ আৰু বীৰবাহুক ক'লে, "আমাৰ ৰাজ্যৰ সীমাৱৰ্তী অঞ্চল ধান্যকুটৰ নাম তোমালোকে নুশুনা নহয়। এই বছৰ সেই অঞ্চলৰপৰা আমি ৰাজহ তথা কৰ-কাটল পোৱা নাই এথোন। বোধ হয় আমাৰ কৰ্মচাৰীহঁতৰ গাফিলিয়েই ইয়াৰ কাৰণে দায়ী।" তেওঁ এখন্তেক ৰ'ল আৰু পুনৰ বীৰবাহুক ক'লে, "চোৱাঁ বীৰবাহু, খাছ ধান্য কুটৰপৰা ৰাজহ উচুল কৰি আনিবলৈ তোমাক পঠাম। আৰু সুভাষে উচুল কৰিব ধান্যকুটৰ দক্ষিণভাগৰ গাঁওবিলাকৰপৰা।"

*

বীৰবাহু আৰু সুভাষ ধান্যকুটলৈ যাবলৈ সাজু হ'ল। ৰাওনা হোৱাৰ আগে আগে ৰজাই দুয়োকো ক'লে, "ধান্যকুটত থকা আমাৰ আলহী-ঘৰত তোমালোক থকা-মেলা কৰিবা। উভতি আহোঁতে বেলেগে নাহিবা, দুয়োজন একেলগ হৈ আহিবা। তোমালোক লগত কোনো দেহৰক্ষী বা আন কোনো চিপাহী-তিপাহী নপঠাওঁ। কিয় নপঠাওঁ জানানে? মোৰ ইচ্ছা — তোমালোকৰ মাজত কোনে কেনেকৈ আত্মৰক্ষা কৰি ৰাজহৰ ধন ৰক্ষাৰ ক্ষমতা প্ৰদৰ্শন কৰিব পাৰা—তাৰ পৰীক্ষা এটা ল'ম। কাৰো সহায়তা বিনেই এই কাম সুকলমে কৰিব লাগিব। কিয়নো— তোমালোকৰ এই দুজনৰ মাজৰেপৰাই এজনক মই আমাৰ দেশৰ নতুন সেনাধ্যক্ষ পাতিম।"

অতি সহজতে কার্য্যসিদ্ধি হোৱাত দুয়োজনেই ভাল পালে। দহ দিনমানৰ ভিতৰতে ৰাজহ আদায়ৰ কাম সম্পূর্ণ সমাপ্ত হ'ল। পাছদিনাই দুয়ো গুচি যাবগৈ বুলি নির্ণয় কৰিলে।

*

কিন্তু সেই নিশা কোনোবাই বীৰবাহুৰ কোঠাৰ দুৱাৰত খটখটালে। বীৰবাহুৱে দুৱাৰ খুলি দিয়াৰ লগে লগেই মুখাপিন্ধা কোনোবা এটা চোৰে ডেগাৰ উলিয়াই বীৰবাহুৰ ওচৰত থকা ৰাজহৰ ধনখিনি কাঢ়ি লৈ গুচি গ'ল। যোৱাৰ আগতে চোৰটোৱে বীৰবাহুৰ কোঠাৰ দুৱাৰত বাহিৰপৰা শিকলি উঠাই দিলে।

কোঠাৰ ভিতৰত বীৰবাহুৱে চিঞৰি থকাত চকিদাৰ এজনে কোঠাৰ দুৱাৰ খুলি দিলে। বীৰবাহুৰ চিঞৰ-বাখৰ শুনি কাষৰীয়া কোঠাত থকাত সুভাষও ওলাই আহিল। বীৰবাহুৱে ঘটনাৰ কথা চকিদাৰক আৰু সুভাষকো ক'লে।

বীৰবহুৰ কথা শুনি চকিদাৰ আচৰিত হ'ল। চকিদাৰে ক'লে, "আমাৰ অঞ্চলত চুৰি—আমি জনাত এই প্রথম। ৰজাৰ ধন কাঢ়ি লোৱাৰ সাহ হৈছেই যদি—ডকাইতটোক অত্যন্ত সাহিয়াল বুলি ক'বই লাগিব।"

বীৰবাহু আৰু সুভাষ যেতিয়া ধান্যকুটলৈ বুলি ৰাওনা হ'ল, তেতিয়া ৰজাই মন্ত্রীপুত্র কৃপালক ছদ্মবেশ ধাৰণ কৰি বীৰবাহু আৰু সুভাষৰ পিছ ল'বলৈ আদেশ কৰিলে। তেওঁ কৃপালক ক'লে যে—এই দুজনৰ মাজত কোনে কি কৰে তাৰ বিবৰণ তেওঁক লাগিব।

*

ধান্যকুটত যেতিয়া ৰজাৰ কর্মচাৰীইঁতে ৰাজহ আদায়-উচুল কৰি আছিল, বীৰবাহু আৰু সুভাষে তেতিয়া ধান্যকুট পালেগৈ। ৰজাৰ কর্মচাৰীইঁতে আদায়ীকৃত ধন বীৰবাহু আৰু সুভাষৰ হাতত গটাই দিলে।

পাছদিনা বীৰবাহু আৰু সুভাষ ৰাজধানীলৈ ৰাওণা হ'ল। ৰাজধানী পায়েই সুভাষে তাৰ ওচৰত থকা ৰাজহৰ ধনৰ টোপোলাটো ৰজাৰ ওচৰত থৈ দিলে। আৰু বীৰবাহুৱে তলমূৰ হৈ থিয়ৈ থিয়ৈ চকুলো বোৱালৈ ধৰিলে।

ৰজাই সুভাষৰপৰা ঘটনাৰ কথা শুনি বীৰবাহুক বুজনি দিয়াৰ সুৰতে ক'লে, "হোৱা কথা হৈ গ'ল, তাৰ বাবে আক্ষেপ কৰি লাভ নাই। তোমাৰ ঠাইত মই হোৱাহেঁতেনো কথা কিজানি একেটাই হ'লহেঁতেন। ৰাজগৃহতো ডকাইত সোমাব কোনেনো কল্পনা কৰিব পাৰে ? এয়া এক নাভূত-নাশ্ৰুত কথা ।"

সুভাষৰ মনত তেতিয়া উখল-মাখল। ৰজাই তাকেই যে সেনাধ্যক্ষ পাতিব—সেই কথা ক'বলৈ গ'লে ধুকুপেই।

*

অলপ সময়ৰ পাছত কৃপাল আহিল আৰু ধনৰ এটি মোনা মহাৰাজৰ আগত থৈ ক'লে, "মহাৰাজ, এয়া লওক বীৰবাহুৰ চুৰি হোৱা ধনৰ মোনা।"

ৰজাই আচৰিত হৈ সুধিলে, "কথানো কি কৃপাল ? বীৰবাহুৰ ধনৰ মোনা—তুমি কিয় লুট কৰিছিলা ?'

"মোক তো বীৰবাহুৰ ধনৰ মোনা লুট কৰিবলৈ আপুনি কোৱা নাছিল। কিন্তু ৰাতিৰ এন্ধাৰত বীৰবাহুৰ ধনখিনি লৈ পলাই যাবলৈ ধৰাটোৰ পৰা মই কাঢ়ি লৈছোঁ।" কৃপালে ক'লে।

"কথা যদি সেয়ে—চোৰটোক নধৰিলা কেলেই ?" ৰজাই সুধিলে।

"মই চোৰটোক ধৰিব পাৰিলোহেঁতেন ; কিন্তু সেই মুখাপিন্ধা চোৰটোক মই চিনি পাইছিলোঁ। গতিকে—কেৱল ধনৰ মোনাটোহে তাৰপৰা কাঢ়ি ল'লোঁ। চোৰটো ৰাজকীয় আলহী-ঘৰলৈকে দৌৰি মোনাটো সোমাইছিলগৈ।" কৃপালে ক'লে।

"কি ক'লা !" বিস্মিত ৰজাই প্ৰশ্ন

মই ছদ্মবেশতে আছিলোঁ, গতিকে—সি নিশ্চয় মোক চিনি পোৱা নাছিল, আৰু সি নিশ্চয় মোকো এটা চোৰ বুলিয়েই ভাবিছিল, নহ'লেও মোক ভাবিছিল এটা 'মোৰ'। কৃপালে ক'লে।"

ৰাতিৰ পৰতে ৰজাই ৰাণীক ক'লে, এই ৰাজ্যৰ উত্তৰাধিকাৰী কোন হ'ব—মই ইতিমধ্যে নিৰ্ণয় কৰিলোঁ,।" এতিয়া—তোমাৰ মতামত লাগে।

"আপুনি নিশ্চয় সুভাষকে উত্তৰাধিকাৰী হিচাপে নিৰ্ণয় কৰিলে. মহাৰাজ?" ৰাণীয়ে সুধিলে।

"মুঠেই নহয়, একেবাৰে আন।" ৰজাই ক্ষন্তেকলৈ ৰ'ল, আৰু তাৰ পাছত মুখত মৃদু হাঁহিৰ ঢৌ তুলি ক'লে, "মই কৃপালকহে মোৰ মোৰ যোগ্য উত্তৰাধিকাৰী পাতিবলৈ নিৰ্ণয় কৰিছোঁ।" ৰজাই ক'লে।

শুনি ৰাণী মুহূৰ্তমানৰ বাবে চুপ হৈ গ'ল। পাছ মুহূৰ্তত ৰাণীৰ মুখতো হাঁহি বিৰিঙিল। তেওঁ ক'লে, "এই কথাত মোৰো কোনো অমত নাই। বোধ কৰোঁ—আমাৰ লখিমীজনীয়েও কৃপালক স্বামী হিচাপে পাই ভালেই পাব আৰু তাই সুখীও হ'ব।"

তাৰ পাছত এদিন মহা ধুমধামেৰে লক্ষ্মীপ্ৰিয়া আৰু কৃপালৰ বিয়া হৈ গ'ল।

কৰিলে, "চোৰেটো — আমাৰ আলহী-ঘৰলৈ সোমাইছিলগৈ—হয়নে?"

"হয়. মহাৰাজ। বীৰবাহু থকা কোঠাটোৰ কাষৰীয়া কোঠাটোতে সি সোমাইছিলগৈ।" কৃপালে ক'লে।

মুহূৰ্তমানৰ নীৰৱতাৰ পাছত ৰজাই ক'লে, "তুমি তাক ধৰিলেহে ভাল আছিল। সি যে অন্যায় কাম কৰিলে, তাৰ গুৰুত্ব ঢেৰ—অপৰিসীম।"

"আৰু এটা কথা আছে, মহাৰাজ। সি—সেই চোৰটো অৰ্থাৎ পলত পৰা কাছটো নিশ্চয় ইয়ালৈকে আহিব, তেতিয়া তাক আপুনি বন্দী কৰিব পাৰিব।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক ক'লে, "হে ৰজা! কৃপালে যি কাম কৰিছিল—তেনে কাম যিকোনো সধাৰণ খাপৰ ৰাজকৰ্মচাৰীয়েও দেখোন অনায়াসে কৰিব পাৰে। অথচ—এনে এটা সামান্য কথাতে ৰজাই কৃপালক বৰ সাহসী বুলি ভাবি তেওঁৰ ভৱিষ্যৎ উত্তৰাধিকাৰী পাতিছিল কিয়? ৰজা-মহাৰাজসকলক যে জগতৰ পণ্ডিতবৰ্গই অস্থিৰমতি বুলি কয়—এয়েই তাৰ দেখ প্ৰমাণ নহয়নে? মোৰ প্ৰশ্নৰ উত্তৰ জানিও যদি সঠিককৈ নোকোৱা, তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

*

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, "কথা হ'ল—বীৰবাহু আৰু সুভাষৰ তুলনাত কৃপাল যে বাস্তৱিকতে অধিক সাহসী আছিল, সেই কথা নিঃসন্দেহে সত্য। সুভাষ হ'ল চোৰ, বীৰবাহু অক্ষম। বীৰবাহুৱে এটা ধনৰ মোনাও ৰক্ষা কৰাত অক্ষম, গতিকে—তাক তো সেনাধ্যক্ষ বা ৰাজ-উত্তৰাধিকাৰী পাতিবই নোৱাৰি। আৰু—সুভাষ—সি আনৰ ধন আত্মসাৎ কৰি, অক্ষম অৰ্থাৎ মুখা পিন্ধি বীৰবাহুৰ ধনৰ মোনা চুৰি কৰি নিজৰ বাহাদুৰি—অৰ্থাৎ অধিকতকৈয়ো অধিক ধন গোটোৱাৰ বাহাদুৰি ৰজাৰ আগত জাহিৰ কৰিব খুজিছিল যে—সেই কথাটো ৰজাই নিৰ্ভুলভাবে বুজি পাই সাহসী তথা সত্যবাদী কৃপালকে জীয়েকৰ জীৱনলগৰী ৰূপে, আৰু লগতে ৰাজ্যৰ উত্তৰাধিকাৰী ৰূপেও নিৰ্ণয় কৰিছিল। এই নিৰ্ণয়ত ৰজাৰ কোনো অস্থিৰমতিত্বৰ লক্ষণ নাই, আছে স্থিৰমতিত্বৰহে লা-লক্ষণ।"

*

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

পৰৰ মাটিত বাটঘৰা

কোনোবা এজন কৃষকে নিজৰ খেতি-পথাৰ পৰ দি থাকোঁতে সেই ফালৰপৰা সাধুবাবা এজন ক'ৰবালৈ গৈ আছিল। গৈ গৈ দুয়ো—সাধু আৰু কৃষকজনো—এজোপা গছৰ ছাঁত জিৰণি ল'বলৈ বহিল।

সাধুৱে কৃষকক সুধিলে, "এই খেতি-পথাৰ তোমাৰ নহয় জানো? খেতি বেছ ভালেই হৈছে। এই বছৰতো তেতিয়াই বৰষুণ দিবনে?"

সাধুক প্ৰণাম কৰি কৃষকে ক'লে, "বাবাজী, খেতিৰ ওপজ যেতিয়া চপাব পাৰিম, তেতিয়াহে খেতি ভালনে বেয়া তাৰ বুজ ল'ব পাৰিম। বৰষুণে কেতিয়া যে দিব—কেনেকৈনো ক'ম? বাৰু সি যেই কি নহওক—এতিয়া কওক—আপুনিনো ক'লৈ যাবলৈ ওলাইছে?"

দূৰৰ পৰ্বতলৈ আঙুলিয়াই সাধুৱে ক'লে, "তাত এক মহাজ্ঞানী সিদ্ধপুৰুষ আছে। তেওঁৰপৰা উপদেশ ল'বলৈ মই গৈ আছোঁ।" খন্তেক বৈ সাধুৱে পুনৰ ক'লে, "ইয়াৰ আগতে মই আন তিনিগৰাকী মহাত্মাৰ সেৱা কৰিছোঁ। কিন্তু কোনেও মোক আত্মজ্ঞান দিয়া নাই। চাওঁ—এইবাৰ কি হয়!"

এই কথাৰ উত্তৰত কৃষকে হাঁহি মাৰি ক'লে, "যোৱা চল্লিছ ধৰি ফচল আৰু পঞ্চাছ বছৰ ধৰি বৰষুণ হোৱা নিজেই চাই আহিছোঁ। তথাপি—কেতিয়া যে কি হ'ব—আজিও ক'ব নোৱাৰোঁ। আপুনি পিছে—নিজে নহয়, আনৰপৰা আত্মজ্ঞান পোৱাৰ আশায়ে লৰা-ধপৰা কৰি ফুৰিছে! আপোনাৰ ইচ্ছা পূৰণ হয়নে নহয় কোনে ক'ব?"

কৃষকৰ কথাতহে সাধুবাবাৰ এইকণ জ্ঞান হ'ল যে—আত্মজ্ঞানৰ কাৰণে আত্মচেষ্টাহে একমাত্ৰ প্ৰকৃষ্ট আৰু আৱশ্যকীয় কথা। পৰৰ মাটিত বাটঘৰা বান্ধি একোৱেই লাভ নাই। এই কথা ভাবি — দূৰৰ পৰ্বতলৈপিঠি দি কৃষকক নমস্কাৰ কৰি সাধুবাবাই ওভোতা খোজ ল'লে।

চান্দমামা-ক্রোড়পত্র-২০

জ্ঞান-ভাণ্ডাৰ

তেওঁনো কোন

তেতিয়া ভাৰতৰ প্ৰথম স্বাধীনতা সংগ্ৰামৰ কাল। চিপাহী-বিদ্ৰোহৰ দিন। কোনোবা এখন সৰু ৰাজ্যৰ ৰজাই বিদ্ৰোহী চিপাহীইঁতৰ নেতৃত্ব গ্ৰহণ কৰিলে। তেওঁ যেতিয়া ইংৰাজৰ বিৰুদ্ধে যুদ্ধ কৰি আছিল, ইংৰাজে তথা ইষ্ট ইণ্ডিয়া কম্প্যানিয়ে তেতিয়া তেওঁৰ ৰাজ্যখন চাৰিওফালৰপৰা আগুৰি ধৰিছিল। এই বাতৰি পায়েই তেওঁ সসৈন্যে নিজ ৰাজ্যলৈ ঢপলিয়াই গ'ল, ইংৰাজৰ বিৰুদ্ধে প্ৰচণ্ড ৰণ দি থাকিল। ইংৰাজক তেওঁ আৰু তেওঁৰ সৈন্যবাহিনীয়েও কচুকটা দিবলৈ ধৰিলে। কিন্তু এনেতে হঠাৎ ইংৰাজৰ বন্দুকৰ গুলীয়ে তেওঁৰ সোঁ বাহুত বিদ্ধ কৰিলে।

তেতিয়া আৰু শল্য-চিকিৎসক মাতি অনাৰ সময় নাই। এই মহাযোদ্ধা ৰজাই গংগাৰ তীৰত থিয় হৈ, বাঁও হাতত তৰোৱাল লৈ, সোঁহাতখন কাটি গংগাত বিসৰ্জি কৈ উঠিল, "মা, মোৰ এই অৰ্ঘ্য লোৱা, মা!" পাছদিনাই এই পঁয়সত্তৰ বছৰীয়া ৰজাৰ মৃত্যু হৈছিল। এই বীৰ কোন আছিল?

] উঃ ৩৬ পৃঃ]

আমি জানোনে?

১. বাহাই ধৰ্ম কি?
২. আমাৰ দেশত বাহাই মন্দিৰ ক'ত আছে?
৩. 'উড়ন্ত থালী' পোন প্ৰথমে কোনে দেখা পাইছিল?
৪. তেওঁ কেতিয়া এই বস্তু দেখা পাইছিল?
৫. এই বস্তুক 'উড়ন্ত থালী' বুলি কিয় কোৱা হয়?

[উঃ ৩৬ পৃঃ]

‘কামৰূপা কামদা’

আমাৰ পুৰাণত উল্লিখিত সুপ্ৰাচীন ৰাজ্য-সমূহৰ মাজত কামৰূপ ৰাজ্য সুপ্ৰসিদ্ধ। তৎকালীন কামৰূপ ৰাজ্যৰ ৰাজধানী আছিল প্ৰাগ্‌জ্যোতিৰপুৰ। এই ৰাজ্যৰ নাম ‘কামৰূপ’ হোৱাৰ গুৰিত এই ভূমিত যিকোনো কামনাৰপূৰণ হোৱাবুলি কোৱা হৈছিল। আকৌ -- কিছুমান পণ্ডিতৰ মতে—শিৱৰ ক্ৰোধাগ্নিৰে কামদেৱ (মদন) দহিত হৈছিল। তাৰ ফলত কামদেৱৰ পত্নী ৰতিয়ে শিৱৰ তপস্যা কৰাত শিৱই প্ৰসন্ন হৈ মন্মথক পুনৰ জীয়াই তুলিছিল। এইদৰে সেই সুপ্ৰাচীনকালৰ কামদেৱে পুনৰ নিজৰ ৰূপ ঘূৰাই পোৱাত এই ঠাইৰ নাম হেনো কামৰূপ. হৈছিল।

প্ৰাগ্‌জ্যোতিষপুৰৰ অৰ্থ হ’ল—পূব দিশত থকা জ্যোতিষ্মান নগৰ।

আজিৰ অসমখনেই পুৰাণৰ দিনতো উল্লিখিত তথা বিস্তৃতভাবে বৰ্ণিত কামৰূপ ৰাজ্য আছিল আৰু আজিৰ গুৱাহাটীখনেই আছিল তেতিয়াৰ প্ৰাগ্‌জ্যোতিষপুৰ। এই গুৱাহাটীৰ সন্নিকটস্থ পাহাৰৰ ওপৰত ‘আই কামাক্ষা’ৰ মন্দিৰ অৱস্থিত।





পৃথিৱীৰ প্ৰাচীনতম জন্তুৰ উৎস বিচাৰি

এসময়ত এই পৃথিৱীৰ বুকুত অতি বৃহৎ আকৃতিৰ প্ৰাচীনতম জন্তু ডায়নোছোৰাছ বৰ্তি আছিল। এই ডায়নোছোৰাছৰ বিষয়ে বিশদ জনাৰ প্ৰচেষ্টাৰে ডেন’ভাৰ পৰ্বতপ্ৰান্তৰ বিভিন্ন ঠাই খান্দি ধৰিছে। প্ৰায় ১৪ কৌটি বছৰৰ আগতে ইয়াত ডায়নোছোৰাছ বিচৰণৰ প্ৰমাণ পোৱা হৈছে।

সম্বাদ-বিসম্বাদ

পুৰাণৰ মতে—নৰকাসুৰ মিথিলাৰপৰা কামৰূপ ৰাজ্যলৈ গৈছিল। নৰকাসুৰৰ পুত্ৰ ভগদত্তই মহাভাৰতত উক্ত কুৰু বা:কৌৰৱ সকলৰ ফলীয়া হৈ যুদ্ধত মৃত্যুবৰণ কৰিছিল বুলি কথিত আছে।

ইতিহাসৰ মতে: চতুৰ্থ খৃষ্টাব্দত সমুদ্ৰগুপ্তৰ সামন্তৰ ৰজা পুষ্যবৰ্মাই এই অঞ্চল অতি যোগ্যতাৰে আৰু সুচাৰুৰূপে শাসন কৰিছিল।

ত্ৰয়োদশ খৃষ্টাব্দত ব্ৰহ্মদেশৰ 'শান' সম্প্ৰদায়ৰ আহোম ৰজাসকলে কামৰূপৰ অধিকভাগ ভূভাগ অধিকাৰ কৰি লৈছিল। কোৱা হয় যে — আগত এই আহোম ৰজাসকলৰেপৰাই হেনো 'অসম' নামৰ উদ্ভৱ হৈছে।

১৭২২ খৃষ্টাব্দত 'অসম' ইংৰাজে অধিকাৰ কৰিছিল।

আহোম ৰজাসকলে তেওঁলোকৰ ব্ৰহ্মদেশীয় চিনাকি বিসৰ্জি লাহে লাহে 'থলুৱা' হৈ পৰিছিল আৰু মোগল-পাঠানৰ আক্ৰমণৰপৰা অসমদেশক সৰ্বতোপ্ৰকাৰে ৰক্ষা কৰিছিল।

আজিৰ অসম ৭৮,৫২৩ বৰ্গ-কিল'-মিটাৰলৈকে বিস্তৃত। গুৱাহাটীৰ সন্নিকটস্থ দিশপুৰ হ'ল বৰ্তমান অসমৰ ৰাজধানী।

সম্বাদ বি-সম্বাদ

'মৰিলে যি গোটে নেৰে সেহি ধনঞ্জয়!'

আমেৰিকাত যোৱা বছৰত ধূমপানৰ পৰিমাণ শতকৰা পাঁচভাগ হ্ৰাস প্ৰাপ্ত হৈছে। এক অনুসন্ধানী কমিটিৰ প্ৰতিবেদন মতে—১৯৮১ চনত আমেৰিকাত ৫৩,৩০০ কৌটি ছিগাৰেট হুপি উৰোৱা হৈছিল। বৰ্তমানে প্ৰাপ্তবয়স্ক নাগৰিকৰ ছিগাৰেট হোপাৰ গড় হাৰ বছৰি প্ৰায় সাত-ভাগলৈকে হ্ৰাস হৈছে, যদিও এৰাৰ লক্ষণ নাই!

সাহিত্যলৈ এভুমুকি

১. 'ঔপন্যাসিক' বুলি অভিহিত কৰিব পৰা প্ৰথমগৰাকী ইংৰাজ ঔপন্যাসিক কোন ?

২. তেওঁৰ শ্ৰেষ্ঠ উপন্যাস কোনখন ?

৩. এই উপন্যাসৰ ঘটনা কাল্পনিকনে বাস্তৱ ?

৪. এই উপন্যাসৰ প্ৰধান চৰিত্ৰ কোনজন ব্যক্তিৰ আধাৰত চিত্ৰিত ?

৫. ফৰাছি আৰু ইংৰাজি ভাষাত সাহিত্য ৰচনা কৰি যশস্যা অৰ্জা আৰু মাত্ৰ ২১ বছৰতে মৃত্যু হোৱা ভাৰতীয় ঔপন্যাসিকৰ নাম কি ?

উত্তৰ

কোন ?

বিহাৰ ৰাজ্যৰ জগদীশপুৰৰ ৰজা কুঁৱৰ সিং বা ৰজা কুমাৰ সিং।

জানোনে

১. ইৰান দেশৰ বহাউল্লাহ্ (১৮১৭—৯২) স্থাপিত—সৰ্বধৰ্ম সমন্বয়ৰ আৰু শান্তি-প্ৰেমৰ ধৰ্ম।

২. নতুন দিল্লীত।

৩. কেনেথ আৰ্নল্ড নামৰ এগৰাকী আমেৰিকান বিমান-চালক।

৪. ১৯৪৭ চনৰ জুন মাহত।

৫. আৰ্নল্ডৰ মতে : পানীৰ ওপৰভাগত থালী দলিয়াই দিলে যেনেকৈ ঘূৰে, সেই 'উড়ন্ত থালী'ও তেনেকৈ ঘূৰি ফুৰা দেখা যায়।

সাহিত্য

১. ডেনিয়েল ডেফো (১৬৬১—১৭২১)।

২. ৰবিনছন ক্ৰুছো।

৩. সত্য ঘটনাৰ আলমত ৰচিত বাস্তৱ।

৪. আলেগছান্দৰ ছেলকিৰ্ক নামৰ এগৰাকী নাবিক।

৫. শ্ৰীমতী তৰু দত্ত।

শ্ৰীৰামকৃষ্ণ পৰমহংস

আমাৰ দেশৰ মহান আধ্যাত্মিক ব্যক্তিত্বৰ মাজত শ্ৰীৰামকৃষ্ণ পৰমহংস অগ্ৰগণ্য মহাপুৰুষ। এই গৰাকীৰ জীৱনকালত বহুতেই তেওঁৰ সম্পৰ্কে বিশেষ একো নাজানিছিল। তেওঁ লোকান্তৰিত হোৱাৰ পাছত তেওঁৰ শিষ্য স্বামী বিবেকানন্দ আৰু অন্যান্য শিষ্যয়ো তেওঁৰ সৰল অমৃতময় বাণী দেশ-বিদেশলৈ প্ৰচাৰ কৰিছিল।

বংগদেশৰ কামাৰপুকুৰ নামৰ গাঁৱৰ ক্ষুদিৰাম নামৰ ব্ৰাহ্মণ এজন গয়াধাম দৰ্শনলৈ ওলাল। তাত তেওঁ এক আচৰিত সপোন দেখিলে। সপোনত ভগৱান মহাবিষ্ণুৱে ক্ষুদিৰামৰ সন্তানৰূপে উপজিবলৈ ইচ্ছা প্ৰকাশ কৰিলে।





১৮৩৬ খৃষ্টাব্দৰ ১৭ ফেব্ৰুৱাৰিৰ দিনা ক্ষুদিৰামৰ পত্নী চন্দ্ৰাদেৱীয়ে তেওঁৰ তৃতীয় পুত্ৰ প্ৰসৱ কৰিলে। ক্ষুদিৰামে এই নৱজাত পুত্ৰৰ নাম দিলে— গদাধৰ। বিষ্ণুৰ বহুতো নামৰ অন্যতম হ'ল গদাধৰ। স্থানীয় জ্যোতিষীসকলে এক মহাত্মাৰ জন্ম হৈছে বুলি ক'লে।



গদাধৰ ডাঙৰ-দীঘল হৈ থাকিল, হৈ থাকিল সকলোৰে মৰমৰ। গাঁৱৰ জীয়াৰী-বোৱাৰীসকলৰ মাজত এই গদাধৰক মৰমৰ নকৰা কোনো নাই। গদাধৰ অতি বুদ্ধিমান আৰু খেলা-ধূলাপ্ৰিয়। সাঁতোৰ হ'ল গদাধৰৰ আটাইতকৈ মনে-খোৱা খেলা।

সাত বছৰ বয়সত এদিন গদাধৰে এখন পথাৰৰ মাজেদি গৈ থাকোঁতে আকাশত ক'লীয়া ডাৱৰৰ বুকুৰেদি বগা বৰণীয়া এজাক চৰাইক উৰি উৰি গৈ থকা দেখা পাই আবেগমধুৰ ভাবত বিভোৰ হ'ল। এই দৃশ্য দেখি গদাধৰ মোহিত অভিভূত হ'ল আৰু চাওঁতে চাওঁতে ভাবৰ আবেগত সমাধিগ্ৰস্ত হ'ল।





গদাধৰ মূৰ্চ্ছিত হৈ পৰিল। তাৰ বন্ধুহঁতে তাক অচেতন অৱস্থাত ঘৰলৈ লৈ আহিল। ঘৰত সি চেতনা ঘূৰাই পোৱা হ'ল কিন্তু সি আনন্দবিভোৰ হৈয়েই থাকিল। এই ঘটনাৰ পাছৰপৰা গদাধৰ বাৰে বাৰে সমাধিগ্ৰস্ত হৈছিল।

কামাৰপুকুৰ আছিল এখন উন্নত গাঁও। স্থানীয় জমিদাৰ এগৰাকীয়ে এই গাঁৱত এটা যাত্ৰী-নিবাস তথা ধৰ্মশালা সাজি দিছিল। গদাধৰে এই ধৰ্মশালাত সাধু-সন্ন্যাসীসকলৰ সংস্ৰৱত তেওঁলোকৰপৰা বিভিন্ন ধৰ্মকথা-সাধুকথা শুনিছিল।





এদিন বালক গদাধৰে সাধু-সন্ন্যাসীসকলৰ দৰে গাত ভস্ম সানি, কৌপীন পিন্ধি হাত কমণ্ডলু লৈ ঘৰলৈ অহাত এই দৃশ্য দেখি গদাধৰৰ মাতৃ চমকিত হ'ল! তেওঁ ভাবিলে : এই বালকৰ ভবিষ্যৎনো কি!

আঠ বছৰ বয়সত গদাধৰৰ মাজত অসাধাৰণ ব্যুৎপত্তিৰ স্ফুৰণ দেখা গ'ল। এবাৰ এক ব্ৰাহ্মণ আৰু সমাজৰ অন্যান্য জ্ঞানী-গুণীসকলৰ সমাবেশত এটা বিশয সমস্যাৰ সমাধানৰ কথাত যেতিয়া জটিল অৱস্থাৰ সৃষ্টি হ'ল, তেতিয়া তাত শ্ৰোতা হিচাপে উপস্থিত থকা গদাধৰে সেই জটিল সমস্যাৰ সঠিক আৰু অতি সহজ সমাধান দিলে।





এবাৰ গাঁৱৰ এখন অনুষ্ঠানত গদাধৰে তাৰ বন্ধুইতৰ অনুৰোধত শিৱৰ ভেশ ল'লে। কিন্তু শিৱৰ ভেশত মঞ্চোপৰি থিয় হোৱাৰ লগে লগে গদাধৰ সমাধি-গ্ৰস্ত হৈ পৰিল অনুষ্ঠান স্থগিত হ'ল।

পিতৃদেৱ লোকান্তৰিত হোৱাৰ অন্তত গদাধৰৰ ককায়েক ৰামকুমাৰে গদাধৰক কলিকতালৈ লৈ গ'ল। ইমান ডাঙৰ নগৰখন দেখি গদাধৰৰ বিস্ময়ৰ পাৰ-কৃগ নোহোৱা হ'ল। ইমানবোৰ অট্টালিকা. ইমান মানুহ আৰু অসংখ্য যান-বাহন দেখি গদাধৰ বিস্মিত হ'ল।





কলিকতাত ৰামকুমাৰে এখন টোল অৰ্থাৎ সংস্কৃত পঢ়াশালি পাতিলে, আৰু গদাধৰকো তাতে পঢ়াবলৈ ধৰিলে। কিন্তু এদিন গদাধৰে তাৰ ককায়েকক খোলা-খুলিকৈ ক'লে, "মোক এনেবোৰ শিক্ষা নালাগে, মই এনেবোৰ বিদ্যা ভাল পোৱা নাই। মোক লাগে প্ৰকৃত পৰিচ্ছন্ন জ্ঞান, সত্য-জ্ঞান।" [আগলৈ



হত্যাকাৰী কোন

গোবৰ্ধনগিৰি ৰাজাৰ ৰজা নৱেন্দ্ৰভূপাল আছিল অতি বুদ্ধিমান, বিচক্ষণ তথা প্ৰজা কল্যাণকাৰী ৰজা। তেওঁ মনে-চিতে বিশ্বাস কৰিছিল যে—মানুহক প্ৰেম কৰাটোৱেই হ'ল একমাত্ৰ ধৰ্ম। ৰাজধৰ্মও তাৰ ব্যতিক্ৰম নহয়। তেওঁ শান্তি-প্ৰিয় প্ৰজাৰ মংগল চিন্তা কৰিছিল আৰুঅশান্তি সৃষ্টিকাৰীক কঠোৰভাৱে দমন কৰিছিল।

এই দেশৰ ৰজাৰ দৰ্শন লাভ আছিল অতি সহজ। প্ৰতিদিন এক বিশেষ সময়ত ৰজাই প্ৰজাবৰ্গৰপৰা তেওঁলোকৰ অভাৱ-অভিযোগৰ কথা মন দি শুনিছিল।

এদিন ৰূপানী নামৰ তিৰোতা এজনী হেঁকাই-ফোঁপাই মহাৰাজ নৱেন্দ্ৰভূপালৰ ওচৰলৈ আহিল আৰু মহাৰাজক ক'লে, "মহাৰাজ, মোৰ নাম ৰূপানী। মোৰ পতি ৰাজদেৱ। তেওঁ প্ৰতিদিন নাৱেৰে বিদ্যাধৰী নৈ পাৰ হৈ নগৰলৈ বেহা-বেপাৰ কৰিবলৈ যায়, আৰু ৰাতিৰ পৰতে পুনৰ ঘৰ পায়হি। কালি তেওঁ নাৱৰপৰা নৈত পৰি ডুবিল বুলি মই শুনিছোঁ।"

ৰজাই আচৰিত হৈ ৰূপানীক ক'লে, "শুনিছোঁ—মানে?"

"হয়, মহাৰাজ, মই তেনেকৈয়েই শুনিছিলোঁ। কিন্তু পাছত কিছু আন কথা কাণত পৰিল। আমাৰ চুবুৰীয়া—ৰাধেশ্যাম নামৰ মানুহৰ এজনেও সেই নগৰতে বেহা-বেপাৰ কৰিবলৈ যায়। কেতিয়াবা কেতিয়াবা বেলেগে। কালি বেলেগে নৈ পাৰ হৈ থাকোঁতে আমাৰ তেওঁক নাৱৰীয়াই তেওঁৰ হাতত থকা মনাটো কাঢ়ি নি নাৱৰপৰা ঠেলি নৈত

ৰুদ্ৰ সোণোৱাল

পেলাই দিয়া ৰাধেশ্যামে দেখা পাইছিল। এই ঘটনাৰ প্ৰতিকাৰ বিচাৰি মই আপোনাৰ কাষ চাপিছোঁ, মহাৰাজ!" ৰূপানীয়ে কান্দি কান্দি ক'লে।

ৰজাই তৎক্ষণাৎ চিপাহীহঁতক ক'লে ৰাধেশ্যামক মাতি আনিলৈ আৰু মৃত ৰামদেৱক বিচাৰি উলিয়াবলৈ।

ৰজাৰ প্ৰশ্নৰ উত্তৰত ৰাধেশ্যামে ক'লে, "মহাৰাজ! নাৱৰীয়াই ৰামদেৱৰ হাতত থকা মোনাটো থাপ মাৰি কাঢ়ি লৈ নৈত ঠেলি পেলোৱা মই নিজ চকুৰে দেখা পাইছিলোঁ। মোৰ কোনো ভুল হোৱাৰ সম্ভাৱনা নাই।"

ৰজাই ৰূপানীক সুধিলে, "তোমাৰ পতি ৰামদেৱৰ হাতত থকা মোনাটোত কি আছিল তুমি ক'ব পাৰিবানে?"

ৰূপানীয়ে ক'লে, "হয়, মহাৰাজ, মোনাটোত আছিল ভালেখিনি সোণৰ গহনা। নগৰৰ কাৰোবাৰ ওচৰত সেইখিনি বন্ধকত থৈ বেপাৰৰ কাৰণে টকা আনিবলৈ নৈ পাৰ হৈ নগৰলৈ গৈ আছিল।"

ইতিমধ্যে চিপাহীহঁতে মহাৰাজক ক'লেহি যে ডুবি যোৱা ৰামদেৱৰ মৃতদেহ বিচাৰি পোৱা হৈছে।

ৰজাই তৎমুহূৰ্তেই ৰামদেৱৰ মৃতদেহ চাবলৈ ওলাল আৰু চিপাহীহঁতক আদেশ দিলে, "তোমালোকে এতিয়াই সেই নাৱৰ নাৱৰীয়াটোক ধৰি লৈ আহাঁ গৈ।"



ৰামদেৱৰ মৃতদেহ চাই অহাৰ অলপ পাছত চিপাহীহঁতে সেই নাৱৰীয়াক ধৰি লৈ আহিল। ৰজাই নাৱৰীয়াক ক'লে, "তোমাৰ বিৰুদ্ধে অভিযোগ — তুমি ৰামদেৱ নামৰ বেপাৰী এজনক কালি নৈত ঠেলি পেলাই মাৰিছা।"

নাৱৰীয়াই টপৰকৈ কৈ উঠিল, "মহাৰাজ, এইবোৰ একেবাৰে গোকাট মিছা। ৰামদেৱ নাৱৰ দাঁতিত বহি আছিল, আৰু চৌৰ কোবত নাওখনে কাতি হৈ পৰাত ৰামদেৱ নাৱৰ দাঁতিৰপৰা নৈত বাগৰি পৰিছিল।"

"তুমি ৰামদেৱক বঁচাবলৈ চেষ্টা কৰা নাছিলা?" ৰজাই সুধিলে।

"চেষ্টা কৰা নাছিলোঁ বুলি কোনে ক'লে মহাৰাজ? মই ডুবি যাবলৈ ধৰা ৰামদেৱৰ চুলিৰ মুঠিত ধৰি নাৱত উঠাই আনিবলৈ কিমান যে চেষ্টা নকৰিলোঁ! কিন্তু তথাপি নোৱাৰিলোঁ।" নাৱৰীয়াই নিৰহ নিৰহকৈ মহাৰাজক ক'লে।

ক্রুদ্ধ মহাৰাজে নাৱৰীয়াটোক ক'লে, "ধূর্ত নাৱৰীয়া! সোণৰ গহনাৰ লোভত তুমিয়েই ৰামদেৱক নৈৰ পানীত পেলাই মাৰিলা—মোৰ হাতত প্রমাণ আছে। এতিয়াই যদি সঁচা কবুল নকৰা, তোমাক ফাঁচীৰ জৰীত ওলোমোৱা হ'ব।"

ৰজাৰ কথা শুনি নাৱৰীয়াই বেঙে মুতা গৰুৰ দৰে কঁপি কঁপি ক'লে, "হ—

হ—হয় মহাৰাজ, মোৰ মতিভ্ৰম্ হৈছিল।"

ৰজাই নাৰৰীয়াক যাৱজ্জীৱন কাৰাদণ্ড ভোগ কৰাৰ আদেশ দিলে আৰু বিধৱা ৰূপানীক ৰাজকোষৰপৰা মাহে প্ৰতি এশৰূপকৈ আজীৱন কালৰ বাবে ভাত্তা দিবলৈকো আদেশ জাৰী কৰিলে।

পাছত মহামন্ত্ৰীয়ে মহাৰজাক সুধিলে, "মহাৰাজ, ৰামদেৱৰ হতাকাৰী যে নাৰৰীয়াটো কেনেকৈনো ধৰিব পাৰিলে?"

মুচুককৰে হাঁহি মাৰি মহাৰাজে মহামন্ত্ৰীক ক'লে, "নাৰৰীয়াটোৱে কৈছিল যে—মোনাটোৰে সৈতে ৰামদেৱ নৈৰ পানীলৈ বাগৰি পৰিছিল। প্ৰথমতে—এই কথা শুনিয়েই মোৰ সন্দেহ হৈছিল। কিয়নো—মোনা-তোনাৰ কোনো প্ৰশ্ন তাক মই সোধা নাছিলোঁ। সি নিজে নিজেই প্ৰয়োজনতকৈয়ো অতি সাৱধানী হ'বলৈ কটৰাত গ'ল সুমুৱাই লৈছিল। আৰু—ৰামদেৱৰ মৃতদেহ চাই অহা হেতুকে ৰামদেৱৰ প্ৰকৃত হত্যাকাৰীক বিচাৰি উলিওৱাত মোৰ সুবিধা হৈছিল।"

"কেনেক?" বিস্মিত মন্ত্ৰীয়ে সুধিলে।

"ৰামদেৱৰ মৃতদেহ আপুনিও দেখিছিল। নহয় জানো? মই মৃত ৰামদেৱক পুংখানু-পুংখকৈ নিৰীক্ষণ কৰিছিলোঁ। নাৰৰীয়াই কৈছিল যে—সি ৰামদেৱৰ মূৰৰ চুলিত ধৰি নৈৰপৰা নাৰত উঠাই আনিবলৈ চেষ্টা কৰিছিল। তাৰ এই কথাষাৰেই হৈ উঠিল মোৰ হাতত পাশুপত অস্ত্ৰ!" মহাৰাজে হাঁহি হাঁহি ক'লে।

মহাৰাজৰ কথাৰ তলা-নলা নোপোৱা মহামন্ত্ৰীৰে পুনৰ সুধিলে, "কথানো কি—মহাৰাজ? মই মাথা-মুণ্ড একো ধৰিব পৰা নাই দেখোন!"

"ৰামদেৱ আছিল একেবাৰে তপা।" মহাৰাজে মৃদুকৈ হাঁহি মাৰি ক'লে।

মহামন্ত্ৰীয়ে মহাৰাজৰ অপূৰ্ব সূক্ষ্ম বিচাৰ-শক্তিৰ কথা ভাবি তৰধ মানিলে।

বীৰ হনুমান

১

সুপ্ৰাচীন কালত সুপৰ্বগিৰি নামৰ পৰ্বতত কেশৰী নামৰ এক বানৰ আছিল। এই পৰ্বতত ষাঠি হেজাৰ বানৰ আছিল। এই বানৰহঁতৰ নেতা আছিল কেশৰী।

এবাৰ প্ৰভাসতীৰ্থত শংখ আৰু শবল নামৰ দুটা উদণ্ড হাতীয়ে তীৰ্থস্থ মুনিগণৰ ওপৰত অতিপাত অত্যাচাৰ কৰি আছিল। এই হস্তী দুটাক কেশৰীয়ে বধ কৰাত এই বানৰটোৰে 'কেশৰী' অৰ্থাৎ 'সিংহ' নামেৰে অভিহিত হৈছিল।

কেশৰী আছিল অতি শক্তিমন্ত আৰু লগতে ভাগ্যৱন্ত। কিন্তু ইমান বল-বীৰ্য্য থকা সত্বেও কেশৰীয়ে ব্ৰহ্মচৰ্য্য পালন কৰি থাকিল আৰু তপস্যাৰে বিভিন্ন অত্যাশ্চৰ্য্য শক্তি আয়ত্ত কৰিছিল।

তেতিয়াৰ দিনত সেই অঞ্চলতে শম্ব-সাধন নামৰ এটা ৰাক্ষস আছিল। শম্ব-সাধনে তপস্যাৰ বলতে ব্ৰহ্মাৰপৰা বহু বৰ লাভ কৰি অতিপাত অত্যাচাৰী হৈ উঠিছিল। তাৰ অহংকাৰ ইমানেই বাঢ়ি গ'ল যে—সি যোগী-মুনি আনকি দেৱতা-সকললৈকো সম্পূৰ্ণ উপেক্ষা প্ৰদৰ্শন কৰা হ'ল। প্ৰকৃতাৰ্থত শম্বসাধনে দেৱতাসকলৰ ওপৰতো যথেষ্ট অত্যাচাৰ কৰা হ'ল।

তেতিয়া—সকলো দেৱতা একেলগ হৈ ব্ৰহ্মাৰ কাষ চাপিল। দেৱতাসকলৰ-পৰা শম্বসাধনৰ অতিচাৰ-অত্যাচাৰৰ কথা শুনি ব্ৰহ্মাও চিন্তিত হৈ পৰিল। কিছু

'হনুমানৰ জন্ম'

সময় ধৰি চিন্তা কৰি তেওঁ দেৱতাসকলক ক'লে, "তোমালোক কেশৰীৰ কাষ চাপাঁ আৰু শম্বসাধনৰ অত্যাচাৰৰ কথা বিবৰি তাৰপৰা কিবা এটা যতাযোগ্য প্ৰতিকাৰ প্ৰাৰ্থনা কৰাঁ।"

ব্ৰহ্মাৰ উপদেশ মতে দেৱতাগণ বানৰ-নেতা কেশৰীৰ কাষ চাপিল।

*

আৰু ঠিক তেতিয়াই শম্বসাধনৰ কাষ চাপিলগৈ স্বয়ং নাৰদমুনি।

নাৰদমুনিক দেখা পাই শম্বসাধনে নাৰদমুনিক সাষ্টাংগে প্ৰণাম কৰিলে আৰু তাৰ পাছত সুধিলে; "মুনিবৰ! আমাৰ যে কিমান সৌভাগ্য! আপোনাৰ দৰ্শন লাভ কৰি ধন্য মানিছোঁ। —কিবা বিশেষ সমাচাৰ আছেনে কি?"

নাৰদমুনিয়ে ক'লে, "মই হেমকূট পৰ্বতলৈ গমন কৰিম। তাত ইন্দ্ৰ প্ৰমুখ দেৱতাগণে তোমাক বধ কৰাৰ বাবে এটা বানৰৰ ওচৰত আবেদন কৰিবলৈ গৈছে।"

শুনি শম্বসাধন জ্বলি-পকি উঠিল। শম্বসাধনে হুংকাৰি উঠি ক'লে, "মই দয়া কৰি দেৱতাবিলাকক ৰেহাই দিছিলোঁ। আৰু এতিয়া—সেই বদমাছমখাইহে মোৰ বিচাৰ কৰিছে? আৰু—এটা সামাইন বান্দৰেনো মোক কেনেকৈ বধ কৰিব? এয়া এক হাঁহি উঠা কথা। ঠিক আছে—এতিয়া সেই যত কূটৰ ঘাই দেবতাই শম্বসাধনৰ বিক্ৰম চাই লওক!"

*

ৰাক্ষস শম্বসাধন তৎমুহূৰ্তেই বান্দৰ-নেতা কেশৰীক বিচাৰি ওলাল। শম্বসাধনে বিৰাট হুংকাৰ এৰিলে। আৰু এই বিকট হুংকাৰ শুনি কেশৰীৰ ওচৰত বৈ থকা দেৱতাসকল ভয়তে পেপুৰা লাগি কোনোবা গুহাৰ ভিতৰত খেনোৰে গছৰ আঁৰত লুকাই থাকিল।

"এতিয়া ক'লৈ পলাবা! মই তোমা-লোকক এটা এটাকৈ কচুকটা দিম ৰ'বা।"

এই বুলি কৈ ৰাক্ষস শম্বসাধনে ডেও পাৰি পাৰি দেৱতাসকলক বিচাৰিবলৈ ধৰোঁতেই বান্দৰ-নেতা কেশৰীয়ে শম্ব-সাধনৰ সমুখত বুকু ফিন্দাই থিয় দিলে আৰু ক'লে, "আৰে দুষ্ট! মোৰ হাততে মৰিবি বুলিয়েই ওলালিহিনে তই? আহ, যুঁজি চাহি এহাত মোৰ লগত!"

"আৰে ধেৎ! এটা বান্দৰৰ লগত যুঁজ? মোৰ বিৰুদ্ধে যুঁজিবলৈ আনকি স্বয়ং শিৱজীও হোঁহকা দিব—তই কোন ছাৰ? চকুৰ পচাৰ নৌ পৰোঁতে তোকে মাৰি ভৈয়াম কৰিম, ৰঃ।" এই বুলি কৈ শম্বই খাপৰপৰা তৰোৱাল উলিয়ালে।

লগে লগে কেশৰীয়ে এচটা বিৰাট শিল শম্বৰ বুকুলৈ দলিয়াই মাৰিলে; কিন্তু সেই বিটাট শিলচটা শম্বৰ বুকুত লাগি চূৰ্ণ-বিচূৰ্ণ হৈ গ'ল। তেতিয়া শম্ব ৰাক্ষসে কেশৰীৰ বুকুলৈ গদা এটা দলিয়াই পঠালে। কেশৰীৰ বুকুত ঠেকা খাই সেই গদাটো খণ্ড-বিখণ্ড হ'ল। শম্বই কেশৰীৰ বক্ষ টোঁৱাই শূল নিক্ষেপ কৰিলে। কিন্তু কেশৰীয়ে শূলটোক থাপ মাৰি ধৰি পেলালে আৰু শূলডাল দুই হাতেৰে ধৰি ভাঙি পেলাই ৰং চালে। আৰু তাৰ পাছত কেশৰীয়ে তাৰ দীঘল নেজেৰে শম্বসাধনৰ হাতত যি আঘাত কৰিলে, সেই আঘাতৰ ফলত শম্বৰ হাতত থকা তৰোৱাল উভাৰি পৰিল।

হস্তচ্যুত তৰৱাৰি পুনৰ ভূমিৰপৰা দাঙি লৈ যুদ্ধ কৰিবৰ মন নোযোৱা হ'ল শম্বসাধনৰ, এইবাৰ ৰাক্ষস শম্বসাধনে কেশৰীক মল্লযুদ্ধলৈ আহ্বান জনালে। অকস্মাৎ কেশৰীয়ে শম্বসাধনৰ মস্তকত ইমান জোৰেৰে দৃঢ়মুষ্টি মাৰিলে যে—সেই 'একেমাৰে মৰিল শম্ব বৈৰী'।

*

শম্বসাধনৰ মৃত্যুৰ ফলত দেৱতাসকলে স্বস্তিৰ উশাহ পেলালে। পুনৰ দেৱলোকলৈ উভতি যোৱাৰ আগতে দেৱতাসকলে

এইবাৰ বিয়া-বাৰু কৰাই গৃহস্থী জীৱন-যাপন কৰিবলৈ কেশৰীক উদগালে।

কথাটোৱে কেশৰীৰ মনত আবেগৰ ঢৌ তুলিলে। নিজৰ কাৰণে যোগ্য পত্নী বিচাৰি কেশৰী ওলাই পৰিল।

*

সৃষ্টিকৰ্তা ব্ৰহ্মাই অহল্যা নামৰ অতি ৰূপৱতী নাৰীক সৃজি গৌতম মুনিৰ ভাৰ্য্যা-ৰূপে অধিষ্ঠিত কৰিছিল। এই দম্পতিৰ পুত্ৰী আছিল অঞ্জনা।

পূৰ্ব-জনমত অঞ্জনা আছিল এক ৰিদ্যাধৰ অৰ্থাৎ গন্ধৰ্বৰ কন্যা। সেই জনমত অঞ্জনা আছিল অনুপম এক গায়িকা। তেতিয়া তাইক 'সুকণ্ঠী' বুলি কোৱা হৈছিল। এদিন এক সৰোবৰত স্নান সমাপন কৰি গৃহলৈ উভতি থাকোঁতে বাটত অগ্নিদেৱক দেখা পাই অঞ্জনাই হাঁহি দিয়াত ক্ৰুদ্ধ অগ্নিদেৱে তাই পৰৱৰ্তী জনমত এটা বান্দৰ প্ৰসৱ কৰিব বুলি অভিসম্পাত দিছিল।

*

তৎপৰ—কুঞ্জৰ নামৰ বানৰ এজনে সন্তান কামনা কৰি ভগৱান শিৱৰ তপস্যা কৰাত শিৱই প্ৰসন্ন হৈ ক'লে, "বোপা। পুত্ৰলাভ তোমাৰ অদৃষ্টত নাই, কিন্তু এজনী কন্যাসন্তান প্ৰাপ্ত হ'বা। সেই সুযোগ্যা নাৰীৰ গৰ্ভৰপৰা এক পুত্ৰসন্তান জনমিব. যি পুত্ৰত থাকিব মোৰেই অংশ. আৰু যিটি পুত্ৰই ডাঙৰ হৈ তোমালোকৰ বংশক উদ্ধাৰ কৰিব।"

কিছুদিনৰ অন্তত গৌতম মুনিয়ে এইজনী অঞ্জনাক 'তোলনীয়া জী' ৰূপে পালিবলৈ কুঞ্জৰ বানৰক দিলে।

অঞ্জনাই কুঞ্জৰকে পিতৃ বুলি আৰু কুঞ্জৰ-পত্নী বিন্ধ্যাৱতীক 'মা' বুলি জানিলে। অঞ্জনা কুঞ্জৰ-কুঞ্জৰপত্নীৰ পুত্ৰৰূপে ডাঙৰ দীঘল হ'ল, আৰু পৰিশেষত—বানৰ-নেতা কেশৰীয়ে যোগ্য পাত্ৰী বিচাৰি ওলাই অঞ্জনাক চাই মোহিত হ'ল।



অঞ্জনা কেশৰীৰ প্ৰেমমুগ্ধ হৈ পৰিল। কিন্তু তাই তাইৰ গুপুত হিয়াৰ গোপন কথা আনকি তাইৰ সখিয়েকহঁতকো ঘুণাক্ষৰেও নক'লে।

*

কেইগৰাকীমান বয়সস্থ বানৰ কুঞ্জৰৰ ওচৰলৈ গ'ল কেশৰী হৈ। এওঁলোকে কেশৰীৰ ইচ্ছাৰ কথা কুঞ্জৰক কোৱাৰ লগে লগে কুঞ্জৰে অত্যন্ত আনন্দৰে সৈতে কেশৰীৰ সৈতে অঞ্জনাৰ বিবাহত সন্মতি প্ৰদান কৰি দিলে।

তাৰ পাছত এদিন সমাৰোহৰে সৈতে কেশৰী আৰু অঞ্জনাৰ বিবাহ সম্পন্ন হ'ল।

বহু বছৰ অতিবাহিত হ'ল কেশৰীৰ বিবাহৰ অন্তত; কিন্তু অঞ্জনাৰ গৰ্ভত কোনো সন্তান নাছিল। অঞ্জনা আৰু কেশৰীয়ে কত যে পূজাপাট, ব্ৰত, উপবাস কৰিলে; তীৰ্থে তীৰ্থে ভ্ৰমিল; কিন্তু একো ফল নধৰিল। আৰু অৱশেষত পুত্ৰলাভৰ বাবে বায়ু-দেৱতাৰ আৰাধনাৰ কৰিবলৈ মন মেলিলে।

*

অঞ্জনাৰ কঠোৰ আৰাধনাত তুষ্ট হৈ, বায়ু-দেৱতাই অঞ্জনাক এটা দিব্যফল প্ৰদান কৰি গুচি গ'ল। এই ফল ভক্ষণ কৰাৰ কিছুদিনৰ পাছত অঞ্জনা গৰ্ভৱতী হ'ল। এই ঘটনাত অঞ্জনা অলপ ভীতা হৈ পৰিল আৰু এদিন আকাশৰপৰা দৈৱবাণী শুনিলে:

'পুত্ৰী! ভয় কৰিবলগীয়া একো হোৱা নাই। এবাৰ ভগৱান শিৱই বায়ু-দেৱতাক এটি দিব্য ফল প্ৰদান কৰিছিল। সেই ফলটোকে বায়ু-দেৱতাই তোমাক প্ৰদান কৰিলে। তুমি সেই ফলটি ভক্ষণ কৰা-হেতুকে তোমাৰ গৰ্ভত ভগৱান শিৱজীয়েই সন্তান হৈ বৃদ্ধি পাই আছে। এইদৰে, তোমাক সন্তানৱতী হোৱাৰ বাবে বায়ু দেৱতাই সহায় কৰিলে, আৰু তাৰ ফলত, তোমাৰ পুত্ৰক 'বায়ু-পুত্ৰ' বা 'পৱন-নন্দন

নামেৰে অভিহিত কৰা হ'ব। তোমাৰ এই পুত্ৰই তিনিও লোকতে কীৰ্তি স্থাপন কৰিব।"

এইদৰে দৈৱবাণী হোৱাৰ অন্তত স্বয়ং বায়ু-দেৱতা অঞ্জনাৰ সন্মুখত প্ৰকাশিত হ'ল আৰু বায়ু-দেৱতাই অঞ্জনাক ক'লে, "পুত্ৰী! দৈৱবাণীয়ে যিবোৰ কথা কৈছে, সকলো সত্য। তুমি উভতি গৈ তোমাৰ পতিক সকলো বিস্তাৰিত জ্ঞাপন কৰাঁ।"

এই বুলি কৈয়েই বায়ু-দেৱতা তাৰপৰা অন্তৰ্হিত হৈ পৰিল।

অঞ্জনাই ঘৰলৈ উভতি গৈ পতি কেশৰীক সকলো কথা ক'লে। শুনি কেশৰী আনন্দৰ সাগৰত উটি গৈ থাকিল।

*

যথা সময়ত অঞ্জনাই এক সুস্বাস্থ্যৱান পুত্ৰ-সন্তান প্ৰসৱ কৰিলে। স্বৰ্গলোকৰপৰা দেৱগণে দুন্দুভি বজালে। আকাশৰপৰা পুষ্পবৃষ্টি হৈ থাকিল। কেশৰীয়ে নৱজাত পুত্ৰৰ জন্মোৎসৱ পাতিবলৈ যো-জা কৰি থাকিল।

অঞ্জনাই শিশুপুত্ৰক খুৱাবৰ বাবে কিছুমান ফল ক'ৰবাৰপৰা বুটলি আনিবলৈ চিন্তা কৰিলে আৰু শিশুটিক শোৱাই থৈ ফল বিচাৰি অঞ্জনা ওলাই পৰিল।

শিশুটি অত্যন্ত ক্ষুধাৰ্ত হৈয়েই আছিল। সি তাৰ মাতৃৰ পিছে পিছে ঘৰৰপৰা ওলাল আৰু ওলায়েই পাহাৰৰ পিছফালত সূৰ্য্যক উদিত হৈ থকা দেখি সূৰ্য্যকে বিৰাট এটা আহাৰ্য্য ফল বুলি ভাবি এডেও-জুডেওকৈ সেই পিনে চাই থাকিল।

তেতিয়া বায়ু-পুত্ৰ বা পৱন-নন্দনে সূৰ্য্যৰূপী ফলটোক খাবলৈ আকাশলৈ উৰা মাৰিলে। এনে 'নাওমান' শিশু এটিক সূৰ্য্যৰ পিনে ঢপলিয়াই যোৱা দেখি যক্ষ, ৰাক্ষস, নাগ আদি উচপ খাই উঠিল। এতিয়াই কিবা ভয়াবহ প্ৰলয়ৰ সৃষ্টি হ'ব বুলি এওঁলোকৰ দৃঢ় ধাৰণা হ'ল।

এই অকল্পনীয় সাহসী নৱজাত শিশুকটি

তীব্ৰ গতিৰে আহি থকা দেখা পাই সূৰ্য্যৰ সেৱকইঁতে ভয়তে বিতত হোৱা দেখি সূৰ্য্যই তেওঁলোকক ক'লে, "তোমালোকে ভয় নকৰিবা। স্বয়ং ভগৱানৰ অংশৰূপে জন্মগ্ৰহণ কৰা এই শিশু ভগৱান হ'ল আঞ্জনেয়। এওঁ অকল্পনীয়ভাবে পৰাক্ৰমসম্পন্ন আৰু শক্তিমন্ত। মোক দেখি এই ক্ষুধাৰ্ত শিশুৱে কিবা ভক্ষ্য ফল বুলিহে ভাবিছে। তোমালোকে মিছামিছি ভয় নকৰিবা।"

সূৰ্য্যদেৱে শিশুটিৰ প্ৰতি মৰমতে পমি নিজৰ তেজ তথা তাপ একেবাৰে হ্ৰাস কৰিলে। ঠিক তেতিয়া আঞ্জনেয় তথা 'বায়ু-পুত্ৰ'ই সূৰ্য্যৰ কাষ পালেগৈ আৰু লগে লগে সূৰ্য্যক থাপ মাৰি ধৰি মুখত ভৰাই দিলে। কিন্তু মুখৰ ভিতৰত অত্যন্ত তাপ বোধ হোৱাত সূৰ্য্যক মুখৰপৰা পুনৰ উলিয়াই আনিলে আৰু বায়ু-পুত্ৰই হুমাৰমান মাৰিলে।

তেতিয়া গন্ধৰ্বসকলে সূৰ্য্যৰ স্তুতি কৰি আছিল। নাৰদমুনিয়ে বীণা বজাই, অপ্সৰাবৃন্দই নৃত্য-গীত কৰি আছিল।

তেতিয়া ইন্দ্ৰৰ ওচৰলৈ গৈ ৰাহুৱে ক'লে, "বাঃ! আপুনি ইয়াত নৃত্য-গীতত আৰামতে ডুব গৈ আছে আৰু মোৰ—"

ইন্দ্ৰই আচৰিত হৈ সুধিলে, "তো—কি হ'ল? আজি—কথা কি?"

"আজি পৰবৰ দিন নহয় জানো? মই আজি এই আঁউসীতে সূৰ্য্যক গিলি খাম বুলি ওলাই আহি আন এটা ৰাহুৱে বাহু মেলি সূৰ্য্যক ধৰি গিলি খাবলৈ চেষ্টা কৰা দেখিলোঁ। সূৰ্য্য আৰু চন্দ্ৰক গিলি খাবলৈ যদি অন্য এটা ৰাহু আহিল, মই তেন্তে বাৰু কি কামটো কৰিম?" ৰাহুৱে ইন্দ্ৰক সুধিলে।

"আন এক ৰাহু! কি কোৱাঁহে? ক'ত আছে সেই নতুন ৰাহুটো? ব'লা—মোক দেখুৱাই দিয়া।" এই বুলি কৈয়েই ইন্দ্ৰ তৎক্ষণাৎ ঐৰাৱতত উঠি বহিল।





কামিলা

কোনোবা এখন গাঁৱত এজন বিৰাট ধনী মানুহ আছিল। তেওঁৰ ঘৰত সদায় নতুন নতুন চাকৰ-নাকৰ দেখা গৈছিল। ধনী মানুহজনৰ ধাৰণা: কাম-কৰা মানুহমাত্ৰেই হ'ল অত্যন্ত ফাঁকিবাজ।

এদিন একেলগে দুজন মানুহ কাম বিচাৰি ধনী মানুহজনৰ ওচৰলৈ আহিল। তেওঁ কাম-বিচাৰি অহা দুজনক ক'লে, "আমাৰ ঘৰৰ পিছ ফাললৈ যোৱা, তাত কুঁৱাৰপৰা পানী উঠাই পাচিত ভৰাই থাকিবা। এতিয়াৰপৰা গধূলি হোৱালৈকে কাম কৰিলে জনমূৰি এটকাকৈ পাবা।"

দুয়ো আচৰিত হৈ পৰস্পৰলৈ চালে। তাৰ পাছত চুপচাপকৈ পাচি এখনকৈ হাতত লৈ বাৰীৰ ফালে খোজ ল'লে।

সিহঁত দুটা আছিল ভাই-ককাই। বাৰীলৈ যাওঁতে ডাঙৰে সৰুক ক'লে, "এই গিৰিহঁত—কিজানি বলিয়াহে হ'ব। পাচিতো পানী ভৰাব পাৰিনে?"

যি কি নহওক—দুয়ো কামত লাগিলগৈ। কিন্তু পানী—যিমানেই পাচিত ঢালে, পানী পাচিত থাকিব কিয়? পানী এটুপিও পাচিত নাথাকে। এই দেখি ডাঙৰে কেইবাস্টিমান পাচিত ঢলাৰ পাছত এই বৃথা চেষ্টা এৰি এজোপা গছৰ ছাঁত বহি থাকিলগৈ।

কিন্তু সৰুৱে একমনে কাম কৰিয়েই থাকিল। তাৰ বক্তব্য হ'ল: পাচিত পানী থাকিবনে নাথাকে—সেই কথাৰ বিচাৰ কৰা তাৰ কাম নহয়, তাৰ কাম হ'ল কুঁৱাৰপৰা পানী উঠাই আনি পাচিত ঢালি দিয়া। সেই কাম সি গধূলি চাপি

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

অহালৈকে কৰি থাকিব।

ডাঙৰে সৰুৰ এনেকুৱা গৰুৱামীলৈ নিমাতে চাই থাকিল। চাই চাই এসময়ত আৰু চাব নোৱৰা হ'ল, চকুৰ পিৰঠিবোৰ জাপ খাই বৰি-বকৰা নজনা হ'ল।

ক্ৰমে বেলিয়ে লাহ দিলে, গধূলি চাপোঁ চাপোঁ হ'ল, আৰু তেতিয়া, সেই সেই মুনি-চুনিতে কুঁৱাৰপৰা আৰু পানী নুঠা হ'ল। কুঁৱাৰ পানী শেষ হৈ এতিয়া বোকাহে উঠা হ'ল। সৰুৱে এতিয়া পাচিত পানীৰ সলনি বাল্টিয়ে বাল্টিয়ে বোকা চালিছে। তাৰ পাছত—যেতিয়া গধূলি হ'ল, তেতিয়া সৰুৱে কাম বন্ধ কৰিলে আৰু ঘোৰ্ঘোৰাই টোপনিয়াই থকা ককায়েকক মাতিলে।

সৰুৱে হঠাৎ দেখিলে যে—তাৰ বোকাভৰা পাচিটোত কিবা যেন এটা চিকমিকাইছে। সেইটো আছিল এটা সোণৰ আঙঠি! কুঁৱাৰপৰা বোকাৰ লগত উঠিল। সৰু আৰু ডাঙৰ একেলগেই ধনী মানুহজনৰ কাষ চাপিল। সৰুৱে আঙঠিটো মালিকক দিলে।

মালিকে—অৰ্থাৎ ধনী মানুহজনে হাঁহি ডাঙৰক ক'লে, "তুমি কাম নকাৰকৈ শুই থাকিলা কিয়? পাচিত পানী থাকক-নাথাকক মোৰ কথা। তোমাৰ কাম হ'ল পাচিত পানী ভৰোৱা। তাকে নকৰি শুই থাকিলেহে পইচা পাবানে? শুই থকা শিয়ালে হাঁহ ধৰিব নোৱাৰে যে—নাজানানে? মোক বোধকৰোঁ তুমি পাগল বুলিহে ভাবিছিলা। আচলতে—মই তোমালোকৰ পৰীক্ষাহেএটা লৈছিলোঁ। তুমি চাকৰিৰ যোগ্য নহয়। চাকৰি কৰোঁতাই 'কিয় কৰিম' বুলিব ভাবিব নাপায়, কেৱল কৰিবহে লাগে।"

ধনী মানুহজনৰ তাত সৰুৱে বহু বছৰলৈকে কাম কৰি তেওঁক পৰিতুষ্ট কৰি বুজন পৰিমাণৰ পুৰস্কাৰো আৰ্জিছিল।

সুখৰ যাতনা

বল্লভ নামৰ ডেকামানুহ এজনে চুবুৰীয়া গাঁৱৰপৰা নিজ গাঁৱলৈ ওভতোঁতে হঠাৎ এডৰা অটব্য জংগলৰ ভিতৰত সোমাই পৰিল। সোমায়েই সি দেখা পালে— এজোপা গাছৰ তলত এজন আদ-বয়সীয়া মানুহ টোপনিয়াই আছে, আৰু মানুহজনক খুটিবলৈ এটা বিষাক্ত সাপ ফেঁট মেলি দ্ৰুতগতিৰে আহি আছে।

বল্লভে সাপটোৰ নেগুৰত ধৰি শূন্যত দুই-চাৰিবাৰ ঘূৰাই-পকাই দূৰলৈ দলিয়াই পেলাই টোপনিত বৰি-বকৰা নজনা সেই মানুহজনক কৰাল মৃত্যুৰ গৰাহৰপৰা ৰক্ষা কৰিলে।

ইতিমধ্যে সেই মানুহজনে সাৰ পাই বল্লভৰপৰা সকলো কথা শুনিলে।

"মানুহজনে বল্লভক ক'লে, "বোপা, মোৰ নাম শীতল। কিন্তু সেই বুলি মোক সাক্ষাৎ শীতল-সন্নিপাত বুলি নাভাবা যেন। যি কি নহওক—আজি তুমি মোক সাক্ষাৎ যমৰ মুখৰপৰা কাঢ়ি আনিলা— এই উপকাৰৰ কথা মই মোৰ জীৱনৰ বাকীছোৱা কাল নিশ্চয় নেপাহৰোঁ। তোমাৰ এই অভাৱিত উপকাৰৰ বাবে কৃতজ্ঞতাৰ চিন হিচাপে মই তোমাক যাদু-মোনা এটা দিম। এই যাদু-মোনাৰপৰা যি খাদ্য খুজিবা, পাবা। কিন্তু কদাপি এই যাদু-মোনাক প্ৰয়োজনতকৈ অধিক নুখুজিবা। যদি ইয়াক ঠিকমতে ব্যৱহাৰ কৰা, তুমি সুখ-সন্তোষেৰে জীৱন কটাব পাৰিবা।"

"যাদু-মোনা? এই যাদু-মোনা আপুনি পালে কেনেকৈ?" বিস্মিত বল্লভে সুধিলে।

সুনিৰ্মল তামুলী



"বোপা, আগতে মই এক ধনী মানুহ আছিলোঁ। তেতিয়া মোৰ চাৰিওকাষত সদায় মোৰ প্ৰশংসাকাৰীহঁতে মৌমাখিৰ দৰে গুন গুন কৰিছিল। কিন্তু সিহঁতৰ আচল দৃষ্টি আছিল মোৰ ধনলৈহে। তাৰ পাছত এনে এটা দিন মোৰ আহিল—যিদিনা মই প্ৰকৃতাৰ্থত এটা মগনিয়াৰেই হৈ পৰিলোঁ। ধোঁৱাখুলীয়াৰ দৰে সকলো ধন-বিত উৰাই দিয়াৰ অন্তত। তেতিয়া আৰু সেই মৌমাখিৰ জাকটোও মোৰ কাষ নচপা হ'ল, মই চৰা লঘোন দি থাকিলেও কোনো এটায়ো মোক সোধ-পোছ নকৰা হ'ল। মাটি-বাৰী ঘৰ-দুৱাৰ আগতেই এৰিবলৈ বাধ্য হ'লোঁ। চিনাকি লুভীয়াহঁতৰ সান্নিধ্যও মোৰ অসহ্য হৈ উঠিল। যি পিনে চকু গ'ল সেই পিনেই পোনে পোনে গৈ গৈ এদিন এই অটব্য হাবিলৈ সোমাই-ছিলোঁহি যেনেকৈয়েই নহওক আত্মঘাতী হোৱাৰ মনেৰে। এনে অৱস্থাত—এই হাবিতে এগৰাকী মহাত্মাৰ সৈতে সাক্ষাৎ-লাভ হ'ল। মহাত্মাই মোৰ কাহিনী আদ্যো-পান্ত শুনাৰ অন্তত দয়া পৰবশ হৈ মোক এই যাদু-মোনাটো দিছিল, কৈছিল যে—এই যাদু-মোনাৰ অপব্যৱহাৰ নকৰালৈকে মোৰ জীৱন সহজভাবে অতিবাহিত হ'ব, খোৱা-পিন্ধাৰ অভাৱ নহ'ব। তেতিয়াৰে পৰাই মই ইয়াতে—এই অৰণ্যতে আছোঁ। ভালেই আছোঁ। —এতিয়া, বহু কালৰ অন্ত তোমাৰ দৰে প্ৰকৃত উপকাৰী মানুহ এজনক পালোঁ। গতিকে—যিহেতু মোৰ আন দিবলগীয়া একো নাই, এই যাদু-মোনাকে তোমাক দিম।"

বল্লভে ক'লে, "এই যাদু-মোনাটো যদি মোকেই দিয়ে, তেতিয়া—আপোনাৰ অৱস্থা কি হ'ব?"

শীতলে হাঁহি হাঁহি ক'লে, "মোৰ অকলশৰীয়া ডাং বৰলা লাই-লেঠা নথকা জীৱন—কেনেবাকৈ চলি থাকিবই।"

বল্লভে ক'লে, "ঠিক আছে, আপোনাৰ কথা মানি ল'ম, মোনাটো বাৰু ল'ম। কিন্তু মোৰ এটা কথাও মানিব লাগিব আপুনি। ময়ো অকলশৰীয়া মানুহ। আপুনি মোৰ লগত মোৰ ঘৰলৈ ব'লক, তাতে থাকিব।"

শীতলে বল্লভৰ প্ৰস্তাৱ দলিয়াই নেপেলালে, বল্লভৰ ঘৰলৈ বুলি খোজ ল'লে। বেয়া ন'হব, দুটা অকলশৰীয়াই একেলগে এটা হৈ থাকিব।

কিছু-দিন ভালে ভালেই পাৰ হ'ল। যাদু-মোনাৰ যহতে আহাৰ-নিদ্ৰাৰ কোনো সমস্যা নাই। কিন্তু তথাপি বল্লভৰ মনত সিমান সুখ নাই। বল্লভক ধন-সম্পদ লাগে, ডাঙৰ মানুহ বোলাব লাগে। —কথাটো বল্লভে শীতলকো ক'লে।

শুনি শীতলে ক'লে, "তোমাৰ মনৰ ইচ্ছা—বেয়া নহয়। কিন্তু মনত ৰাখিবা, যাদু-মোনাৰ অপব্যৱহাৰ কৰি ডাঙৰ মানুহ হ'বলৈ কদাপি চেষ্টা নকৰিবা।" শীতলে বল্লভক সাৱধান কৰিলে।

কিন্তু বল্লভে যাদু-মোনাৰ সহায়েৰে নানা ধৰণৰ খোৱাবস্তু আনি দস্তুৰমত দাম লৈ ৰাইজ ওচৰত বেচিবলৈ ধৰিলে আৰু এইদৰে বিনা পইচাৰ বিনা শ্ৰমৰ বেহানিৰে চাওঁতে চাওঁতে বল্লভ ডাঙৰ



মানুহৰ শাৰীলৈ উঠিল। বল্লভে ধনিক এজনৰ ছোৱালী এজনীক বিয়াও কৰালে।

ইপিনে—শীতলে লোকৰ ঘৰত কাম কৰি পেট প্ৰৱৰ্তাবলৈ ধৰিলে।

এদিন বল্লভে শীতলক ক'লে, "আমাৰ ইমান আছে—তথাপি লোকৰ ঘৰত কাম কৰাৰ দৰকাৰ কি? ৰাইজে মোক এই বাবে নিন্দা কৰিছে।"

শীতলে হাঁহি হাঁহি ক'লে, "বল্লভ তুমি যাদু-মোনাৰ অপব্যৱহাৰ কৰি ইমান পাপ কৰিছা, সেইহে—মই তোমাৰ হৈ অলপ পুণ্য আৰ্জোচোন। পাপে-পুণ্যই কটাকটি হওক, আৰু তোমাৰো বৰ-

লোকালি বজায় থাকক।”

কিছুদিনৰ অন্তত বল্লভ হঠাৎ এক টান অসুখত পৰিল। কত যে বৈদ্যই কত ৰকমৰ চিকিৎসা কৰিলে—কিন্তু বল্লভ একোপধ্যে ভাল হৈ নুঠিল। তেতিয়া বল্লভৰ পৰিঝাৰে এগৰাকী সাধু-মহাত্মাৰ কাষ চাপিল বল্লভক লগত লৈ।

বল্লভক চাই সাধু-মহাত্মাই বল্লভক ক'লে, “তুমি বিনা পৰিশ্রমেৰেই অপাৰ সুখ পাব খুজিছা। এই সুখৰ যাতনায়েই হ'ল তোমাৰ আচল অসুখ। তুমি যদি সুখ পৰিহৰি কিছু দুখ কৰা—তোমাৰ এই অসুখ গুচিব। আৰু—তুমি যদি ধনেই খুজিছিলা, ধন দেখোন পালা, তন্ (গা) ভাল নাথাকিলেনো ক্ষতি কি?”

সাধুৰ কথা শুনি বল্লভৰ খঙেই চৰিল। বল্লভে ক'লে, “গা-মন শৰীল-স্বাস্থ্য নাথাকিলেনো ধনেৰে কি হ'ব? এনেকুৰা আগ-গুৰি নোহোৱা কথা নক'বচোন।”

“শুনা তেন্তে—শাস্ত্রত কোৱা হৈছে—সুখী হয় সেইজন, ভাল যাৰ তনু-মন; যিজনে নকৰে শ্রম, তাৰ সুখৰ মাজতে যম।” সাধুৱে সে সেকৈ হাঁহি হাঁহি বল্লভৰ পিনে চ ই চাই ক'লে।

বল্লভে তেতিয়া সাধু মহাত্মাক তাৰ যাদু-মোনাৰ কথা ভাঙি-পাতি ক'লে।

শুনি সাধু-মহাত্মাই কৈ উঠিল, “হাৰে মূৰ্খ! তুমি এই যে লোকৰ আঙুলি জুইত দি খাবলৈ শিকিছ—ইয়েই তোমাক আত্মাৰণে মাৰিব। আৰু এনেবোৰ সাঁচিধন যে পঁচি—নাজানানে? এইবোৰ অপ্রাপ্য সুখৰ নিচা পৰিত্যাগ কৰি স্বাভাৱিক জীৱন যাপন কৰা, স্বাভাৱিক জীৱনত দুখৰ মাজতো সুখ লুকাই থাকে।”

এই ঘটনাৰ পাছৰপৰা বল্লভে বেহা-বেপাৰত ধৰি সাধুৰ কথা মতে স্বাভাৱিক জীৱনযাপন কৰিছিল, আৰু শীতলকো পিতৃজ্ঞানে সেৱা-যত্ন কৰিছিল।



বিচাৰ বুদ্ধি

বহু বহু কালৰ আগৰ কথা। চীনদেশৰ গাঁও এখনত বাং নামৰ এক দুখীয়া কৃষক আছিল। বাঙৰ খেতি-মাটিৰ গাতে লগা এডোখৰ ছনপৰা মাটি আছিল। মাটি ডোখৰ ছনপৰা বুলিয়েই কিজানি, এই ডোখৰত কোনেও কেতিয়াও খেতি-বাতি কৰিবলৈ চেষ্টাও কৰা নাছিল। বাঙে এদিন ভাবিলে: এইডোখৰ কিনি লৈ খেতি কৰাৰ চেষ্টা কৰি চালে বেয়া ন'হব। এই কথা ভাবি সি মাটি ডোখৰৰ মালিকৰ তালৈ গ'ল।

এই মাটিডোখৰৰ মালিক হুৱা পেং আছিল আলতে এটা সুতখোৰ মহাজন। লোকৰ মূৰত কঁঠাল ভাঙিয়েইহে পেঙে পেটুৱা মহাদেৱটো হ'ব পাৰিছে। যেতিয়া পেঙে এই কথাটি বুজি পালে যে বাঙে মাটিডোখৰ বাস্তৱিকতে কিনিব. তেতিয়া সুতখোৰ পেঙে এই ছনপৰা পতিত মাটিডোখৰৰ দাম ৰুপিত মাটিতকৈয়ো অধিককৈ খুজিলে।

কিন্তু বাঙৰ তো ইম'ন ধন নাই। যিমান খুজিছে পেঙে—তাৰ আধামানহে আছে। শুনি—পেঙে বাঙক ক'লে, "হৈ যাব। চিন্তা নকৰিবা।"

এই বুলি কৈ, পেঙে বাঙৰ নামত এখন ঋণপত্ৰ লিখিলে আৰু বাঙে পেঙৰ কথা মতে 'বাকী আধা' দুবছৰৰ ভিতৰত শোধোৱাৰ প্ৰতিশ্ৰুতিৰে ঋণপত্ৰত চহী কৰি দিলে। তাৰ পাছত বাঙে যেতিয়া মাটি দলিল খুজিলে 'বাকী পইচা দিলেহে মাটিৰ দলিল পাবা' বুলি পেঙে ক'লে।

মাটিডোখৰত থকা অলাগতিয়াল গছ-

'চীনদেশৰ লোক-কথা'

বনবোৰ চাফা কৰি বাঙে মাটিডোখৰত হাল বাবলৈ ধৰা বুলি শুনি পেং তালৈ গ'ল। কিন্তু পেং কিছু আঁতৰত বৈ দিলে। কিয়নো—তিমানতে বাঙে মাটিত হাল বাবলৈ এৰি মাটিৰ এঠাইত কোৰ মাৰিহে আছিল। মাটিত হাল বাবলৈ এৰি কোৰ মৰালৈ চাই কৌতূহলী হৈ পেঙে গছ এজোপাৰ আঁৰ ল'লে, আৰু বাঙে মাটি খান্দি দুটা সোণৰ কলচী মাটিৰ তলৰপৰা উলিয়াই অনা দেখা পালে।

পেং একেলৰে তালৈ গ'ল, আৰু ক'লে যে—এই কলচী দুটা তাৰ।

বাঙে যেতিয়া ক'লে যে—এই মাটি এতিয়া তাৰ, গতিকে—এই মাটিৰপৰা পোৱা কলচী দুটাও তাৰেই হ'ব, তেতিয়া তেতিয়া পেঙে বাঙৰ কথাটো এই যুক্তিৰে মানি নল'লে যে—টকা পূৰাপুৰিকৈ নোশোধোৱালৈকে এই মাটিডোখৰ বাঙৰ হ'ব নোৱাৰে। এই মাটিও এতিয়ালৈকে পেঙৰ, সোণৰ কলচীও পেঙৰেই।

অৱশেষত এই কথাৰ মীমাংসাৰ বাবে দুয়ো বিচাৰকৰ ওচৰলৈ গ'ল।

বাঙে বিচাৰকক ক'লে যে পতিত মাটিডোখৰ সি পেঙৰপৰা কিনি লৈছে, গতিকে—এতিয়া সেই মাটিৰ তলত পোৱা কলচীও তাৰ হ'ব লাগে।

পেঙে বিচাৰকক ক'লে, "হুজুৰ, এই বাংকেক বাংটো হ'ল এটা জাতে-পাতে

মিছলীয়া। সেই ছনপৰা মাটিডোখৰ মোৰ। মই মাটিডোখৰত খেতি-বাতি কৰি চাম বুলি ভাবি ইয়াক কামত লগাইছিলোঁ। এতিয়া মোৰ ভাগ্যদেৱী ৰূপে সোণৰ কলচী যেতিয়া মোৰেই মাটিৰ তলৰপৰা উঠিল—তেতিয়া ই অজীণ পাতকীয়ে — এক নাভূত-নাশ্রুত কথা কৈছে যে —এই মাটি হেনো তাৰ !"

"হুজুৰ, এই মহাজনৰপৰা মই সঁচা-সঁচিকৈ সেইডোখৰ ছনপৰা মাটি কিনি লৈছোঁ।" বাঙে বিচাৰকক ক'লে।

"তুমি যে কিনি লৈছা—তাৰ প্রমাণ আছেনে কিবা?" বিচাৰকে বাঙক সুধিলে

তেতিয়া বাং ক'লা বগা সতবৰণীয়া হ'ল। তথাপি—বাঙে বিচাৰকক সকলো কথা ভাঙি-পাতি ক'লে।

তাৰ পাছত বিচাৰকে তেওঁৰ বিচাৰৰ ৰায় ঘোষণা কৰিলে। সোণৰ কলচীৰ প্রকৃত মালিক যে হুৱা পেং—সেই কথা ঘোষণা কৰাৰ ফলত সোণৰ কলচী হুটা লৈ, বাঙলৈ পেংলাই কৰি লেঠু দেখুৱাই, পেং পংপঙাই গুচি গ'ল।

বাঙে বিচাৰকক কাতৰ কণ্ঠেৰে ক'লে, "হুজুৰ, সোণৰ কলচী নাপালোঁ নাই, কমেও মাটিডোখৰ মোক দিয়াঙক। মোৰ সাঁচতীয়া ধনখিনি খৰচ কৰি কিনিলোঁ—"

বিচাৰকে বাঙক নিজচ ওচৰলৈ মাতি নি তাৰ কাণে কাণে কিবা ক'লে।

পাছ দিনা, একদম উপজিপুৰাতে টিপাহী কিছুমানক লগত লৈ বিচাৰক মহোদয় সুতখোৰ মহাজন হুৰা পেঙৰ ঘৰ চাৰিওফালৰেপৰাই আগুৰি ধৰিলেগৈ। খবৰ পাই গাঁৱৰ মানুহ দলে দলে ঢপলিয়াই আহিল। তেতিয়া বিচাৰক মহোদয়ে ৰাইজৰ আগত যোৱাকালিৰ বিচাৰৰ কথা সংক্ষিপ্তভাবে কৈ, তাৰ পাছত হুৰা পেঙক ক'লে "এই সোণৰ কলচী দুটা ৰাজকীয় ধন-ভঁৰালৰপৰা চুৰি হৈছে বুলি মই জানিব পাৰিছোঁ, আৰু যেনেতেনে কলচী দুটা উদ্ধাৰ কৰিবলৈ ৰাজাজ্ঞা ঘোষণা কৰা হৈছে। এই কাৰণে —মই হুৰা পেঙক গ্ৰেপ্তাৰ কৰিলোঁ। চুৰিৰ অপৰাধত হুৰা পেঙৰ বিচাৰ হ'ব —বোধ কৰোঁ ফাঁচিৰ হুকুম হ'ব।"

শুনি হুৰা পেং বেঙে মূতা গৰুটিহে যেন হৈ কঁপি কঁপি বিচাৰকক বাঙে মাটি-ডোখৰ কিনাৰ কথা আৰু অন্যান্য কথাও স্বীকাৰ কৰিলে আৰু যিহেতু মাটিডোখৰ এতিয়া বাঙৰ, সিহেতুকে সোণৰ কলচী দুটাৰো দায়-দোষ যে বাঙেই ভুঞ্জা উচিত —সেই কথাও বিচাৰকক বুজাই ক'লে চুৰাখোৰ হুৰা পেঙে।

বিচাৰকে সুধিলে, "তুমি যে বাঙৰ ওচৰত মাটিডোখৰ বেচিছিলা—তাৰ কিবা প্ৰকৃত প্ৰমাণ আছেনে ?"

তেতিয়া মহাজন হুৰা পেঙে বাঙৰ নামত থকা আৰু বাঙে চহী দিয়া সেই ঋণপত্ৰখন বিচাৰকক দেখুৱালে।

বিচাৰকে সেই ঋণপত্ৰৰ কাগজখিলা পেঙৰপৰা লৈ, তাত ৰৈ থকা ৰাইজক গোটেই ঘটনাটো পুনৰ বিবৰি ক'লে আৰু বাঙৰ মাটি আৰু লগতে বাঙৰ সেই মাটিৰপৰা পোৱা সোণৰ কলচী দুটাও বাঙক ঘূৰাই দিলে।

ৰাইজে এই বিজ্ঞ বিচাৰকগৰাকীৰ বুদ্ধিক পঞ্চমুখে প্ৰশংসা কৰিলে।

গভীৰতম গুহা!

পৃথিৱীৰ গভীতম গুহা ফ্ৰান্সৰ পিৰেনিজ পৰ্বতমালাত ১৯৫১ চনত আৱিষ্কৃত হৈছে। এই গুহাৰ নাম হ'ল পিয়েৰে ছেইণ্ট মাৰ্টিন। ই ৪৩৬৪ ফুট গভীৰ!



যাৰ নাম সহচৰ

আফ্ৰিকাৰ গঁড়বিলাকৰ পিঠিৰ ওপৰত অক্সপেকাৰ নামৰ চৰাই সদায় বহি থকা দেখা যায়। এই চৰাইবোৰে গঁড়ৰ ছালত থকা পোক-পৰুৱাবোৰ খায়। এনে মাগনাই খাৱন দাৱনৰ প্ৰত্যুপকাৰ হিচাপে গঁড়ৰ পক্ষে কিবা বিপদ দেখা পালে এইবোৰ চৰায়ে টেঁটুফলা চিঞৰ মাৰি গঁড়ক আগতীয়াকৈ সাৱধান কৰি দিয়ে!

বিজুলী

পৃথিৱীৰ ক'ৰবাত নহয় ক'ৰবাত— ঘণ্টাইপ্ৰতি ৩৬০,০০০ বাৰকৈ বিজুলী চমকে বুলি অনুমান কৰা হয়!

চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী. উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ৫০ টকা

পুৰস্কৃত নাম ১৯৯০ চনৰ অকট'বাৰ সংখ্যাত প্ৰকাশিত হ'ব

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। ১৯৯০ চনৰ অগাস্ট মাহৰ ১৫ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ৫০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)**
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026.

১৯৯০ চনৰ জুন মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : স্ৰষ্টা। দ্বিতীয় ফটো : দ্ৰষ্টা।

পুৰস্কাৰ প্ৰাপক : কুমাৰী লিমা দাস, দুলিয়াজান, অসম।

[পুৰস্কাৰৰ ৫০ টকা এই মাহৰ শেষৰ ফালে পঠোৱা হ'ব]

ভাৰতত বছৰেকীয়া বৰঙণি **চান্দমামা** ৩৬.০০ টকা মাথোন

তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES, CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS-600 026

নাইবা

Chandamama Publications, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

PolioPlus

IMMUNIZATION AN ASSURANCE OF GOOD HEALTH TO CHILDREN

VACCINATIONS When and How Many

Age to Start Vaccination	Name of Vaccine	Name of Disease	How Many Times
Birth	**BCG**	**Tuberculosis**	Once
6 weeks	**Polio**	**Polio**	Three times with intervals of at least one month
6 weeks	**DPT**	**Diphtheria Pertussis (Whooping Cough) Tetanus**	Three times with intervals of at least one month
9 months	**Measles**	**Measles**	Once

Babies should receive all vaccinations by the time they are twelve months old.

Pregnant women should get themselves vaccinated against Tetanus (TT) twice—in an interval of at least one month—during the later stages of pregnancy.

HEALTHY CHILD—NATION'S HOPE & PRIDE

Design courtesy : World Health Organisation


School Children!
ENTER THE
JUNIOR
QUEST
'YOUNG GENIUS' CONTEST!
Win a full year's scholarship!
And hundreds of other exciting prizes!
See the July & August issues of Junior Quest for details.
HTA 7557

CHANDAMAMA (Assamese) August 1990 Regd. No. TN/MS (S)/87